সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ,০১ সংখ্যা,১৯ পুহ , ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 01 Date of Publication- 4 January 2026 Rs. 10.00/-

## ভেনিজুৱেলাত আমেৰিকাৰ ভয়ংকৰ এয়াৰ ষ্ট্ৰাইক



ৰঙিলী বাৰ্ত্তাসেৱা- ভেনিজুৱেলাৰ ওপৰত পুৱতিনিশা ভয়ংকৰ এয়াৰ ষ্ট্ৰাইক আমেৰিকাৰ। ভেনিজুৱেলাৰ ৰাজধানী কাৰাকাছৰ এটা বৃহৎ সামৰিক ঘাটিত আক্ৰমণ কৰিছে আমেৰিকাই। কাৰাকাছৰ নৌসেনাৰ ঘাটিত আক্ৰমণ আমেৰিকাৰ। পেন্টাগনে নৌসেনাৰ ঘাটিটোক লক্ষ্য কৰি লৈছিল। স্থানীয় সময় মতে শনিবাৰে পুৱা প্ৰায় ২ বজাত মাৰ্কিন স্পেচিয়েল ফ'ৰ্চে ভেনিজুৱেলাৰ ৰাজধানী কাৰাকাছকে ধৰি ভিন্ন প্ৰান্তত আকাশমাৰ্গেৰে বোমা নিক্ষেপ কৰে। মাত্ৰ কেইটামান মুহূৰ্তৰ ভিতৰতে ৭টাকৈ বিস্ফোৰণত কঁপি উঠে ৰাজধানী কাৰাকাছ। ইয়াৰ সমান্তৰালকৈ মাৰ্কিন স্পেচিয়েল ফ'ৰ্চে মিৰাণ্ডা, আৰাগুৱা আৰু লাগুৱাৰা প্ৰদেশৰ কেতবোৰ স্থানতো বোমা বিস্ফোৰণ সংঘটিত কৰে। আকস্মিক আক্ৰমণক লৈ (দহ পৃষ্ঠাত চাওক)



## ২২টা সমষ্টিত নতুন প্ৰাৰ্থীক টিকট দিব বিজেপিয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- আগন্তুক বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে শাসকীয় দল বিজেপিৰ তৎপৰতা আৰু অধিক বৃদ্ধি পাইছে। '২৬ৰ নিৰ্বাচনক লৈ শাসকীয় দলটোৰ মাজত চলি থকা তৎপৰতাৰ মাজতে আগন্তুক বিধানসভা নিৰ্বাচনত ২২টা সমষ্টিত নতুন মুখক প্ৰাধান্য দিব বুলি ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। শুকুৰবাৰে নিশা বাজপেয়ী ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ উপস্থিতিত বিজেপিৰ এখন গুৰুত্বপূৰ্ণ সাংগঠনিক সভা অনুষ্ঠিত হয়। এই গুৰুত্বপূৰ্ণ বৈঠকৰ পাছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই এই মন্তব্য প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াকো স্পষ্ট কৰে যে প্ৰতিজন বিধায়কে টিকট পোৱাটো নিশ্চিত নহয়। আগন্তুক নিৰ্বাচনত দলীয় টিকট লাভ কৰিব বুলি এঁকপ্ৰকাৰ নিশ্চিত হৈ থকা বিজেপি বিধায়কৰ বাবে মুখ্যমন্ত্ৰীয়ে কৰা এই ঘোষণাই (নপৃষ্ঠাত চাওক)

## অসুৰকেইটাই গুৰুতৰ শাস্তি পাবই লাগিবঃ গৰিমা গাৰ্গ



ৰঙিলী বাৰ্ত্তাসেৱা- শনিবাৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ হত্যাকাণ্ড গোচৰৰ দ্বিতীয়টো শুনানি কামৰূপ (মহানগৰ), জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতত অনুষ্ঠিত হয়। শুনানিৰ সময়ত আদালতত উপস্থিত থাকে জুবিনৰ পত্নী গৰিমা শইকীয়া গাৰ্গ। আদালতে অভিযুক্তসকলৰ বিৰুদ্ধে থকা অভিযোগৰ শুনানি গ্ৰহণ কৰি অহা ১৭ ( দুই পৃষ্ঠাত চাওক)

## ১১ ফেব্ৰুৱাৰীত সম্পন্ন হ'ব চাহ বাগিচাৰ প্ৰাৰ্থীৰ নিযুক্তি

ৰঙিলী বাৰ্ত্তাসেৱা- অহা ১১ ফেব্ৰুৱাৰীত চাহ বাগিচাৰ বাবে সংৰক্ষিত হৈ থকা পদত প্ৰদান কৰা হ'ব নিযুক্তি। মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজায়ে এই কথা স্পষ্ট কৰিলে। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ নিযুক্তিত চাহ বাগিচাৰ প্ৰাৰ্থীসকলৰ বাবে ৩ শতাংশ পদ সংৰক্ষিত কৰা আছে। এই সংৰক্ষিত পদত অহা ৰৰ ফেব্ৰুৱাৰীত চতুৰ্থ শ্ৰেণীৰ পদত ১৭গৰাকীক আৰু তৃতীয় শ্ৰেণীৰ পদত ২৬গৰাকীক নিযুক্তি প্ৰদান কৰা হ'ব। উল্লেখ্য যে শেহতীয়াকৈ এডিআৰইৰ নিযুক্তি তালিকা প্ৰকাশ হৈছে। (দহ পৃষ্ঠাত চাওক)



## দুৰ্গা সৰোবৰত অগপৰ বৃহৎ যোগদান কাৰ্যসূচী



ৰঙিলী বাৰ্ত্তাসেৱা-অগপৰ মধ্য গুৱাহাটী (দহ পৃষ্ঠাত চাওক)

# “কলাক্ষেত্ৰ ৰামধেনু উৎসৱ-২০২৬”ত ধ্ৰুপদী সুবাস



ৰঙিলী বাৰ্ত্তাসেৱা- নৱবৰ্ষৰ তৃতীয় দিনটোত ধ্ৰুপদী সুবাসেৰে জীপাল হৈ পৰিল শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ। কলাক্ষেত্ৰ সমাজৰ উদ্যোগত আড়ম্বৰপূৰ্ণভাৱে আয়োজিত “কলাক্ষেত্ৰ ৰামধেনু উৎসৱ-২০২৬”ৰ অংশ হিচাপে সন্ধিয়া শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় “ধ্ৰুপদী ৰংগঃ গীতং বাদ্যং নৃত্যং” শীৰ্ষক শাস্ত্ৰীয় সংগীতৰ এক মনোৰম অনুষ্ঠান। আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন কেইবাগৰাকী ধ্ৰুপদী শিল্পীৰ অংশগ্ৰহণে অনুষ্ঠানটোক গৰিমামণ্ডিত ৰূপ দিয়ে। অনুষ্ঠানটিত নৃত্যবিদুষী সুজাতা মহাপাত্ৰ আৰু প্ৰীতিশা মহাপাত্ৰৰ ওড়িচি নৃত্যাঞ্জলি, প্ৰসিদ্ধ তবলা শিল্পী পণ্ডিত বিক্ৰম ঘোষৰ তবলাৰ লহৰ, অভিষেক মল্লিকৰ চেতাৰৰ মূৰ্ছনা, জয়া শীল ঘোষৰ ভাৰতনাট্যমৰ ছন্দ আৰু শ্ৰুতি বুজৰবৰুৱাৰ হিন্দুস্তানী শাস্ত্ৰীয় গায়নৰ অমিয়া মাধুৰীয়ে প্ৰেক্ষাগৃহপূৰ্ণ দৰ্শকক আপ্লুত কৰে। তদুপৰি বিশিষ্ট সত্ৰীয়া শিল্পী বায়নাচাৰ্য ঘনকান্ত বৰা বৰবায়ন আৰু ভাস্কৰজ্যোতি ওজাৰ সাংস্কৃতিক নিবেদনে “ধ্ৰুপদী ৰংগঃ গীতং বাদ্যং নৃত্যং” অনুষ্ঠানটিক বৰ্ণময় (দহ পৃষ্ঠাত চাওক)

# অসুৰকেইটাই গুৰুতৰ শাস্তি পাবই

জানুৱাৰীত আদালতে পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰিছে। উল্লেখ্য যে আদালতত জুবিন হত্যাকাণ্ডৰ অন্যতম অভিযুক্ত অমৃত প্ৰভা মহন্ত, সন্দীপন গাৰ্গ, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যই জামিন আবেদন দাখিল কৰে। আদালতে জামিন আবেদনৰ শুনানি লয় যদিও কোনোধৰণৰ ৰায় দিয়াৰ পৰা বিৰত থাকে। অসমৰ অধিবক্তা সমাজে জুবিন গাৰ্গ হত্যাকাণ্ডত অভিযুক্তসকলৰ কোনোধৰণৰ গোচৰ নোলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছতে এতিয়া জুবিন হত্যাকাণ্ডৰ অন্যতম অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তৰ পৰিয়ালে গোচৰটোৰ বাবে অধিবক্তা নিয়োগ কৰিছে। জানিব পৰা মতে, আদালতত অমৃতপ্ৰভা মহন্তৰ জামিন আবেদনৰ হৈ ওকালতি কৰে অধিবক্তা আনন্দ কুমাৰ ভূএগ্ৰাই। একেদৰে শ্যামকানু মহন্তই নিয়োগ কৰিছে কলকাতাৰ অধিবক্তা ৰাজদীপ বেনাৰ্জীক। আনহাতে জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ হৈ ভাৰ্চুৱেলী আদালতত উপস্থিত থাকে কলকাতাৰ অধিবক্তা অনিল মিশ্ৰ। শেখৰজ্যোতি গোস্বামীয়েও এছ কলিতা নামৰ এজন অধিবক্তাক নিয়োগ কৰা বুলি জানিব পৰা গৈছে। অৱশ্যে সন্দীপন গাৰ্গ, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যই নিজাকৈ কোনো অধিবক্তা নিয়োগ কৰা নাই যদিও জিলা আইন সেৱা প্ৰাধিকাৰীয়ে নিয়োগ কৰা অধিবক্তাই উক্ত তিনিজনৰ হৈ আদালতত জামিন আবেদন দাখিল কৰিছে। অধিবক্তা অপূৰ্ব কুমাৰ শৰ্মাই জানিবলৈ দিয়া মতে, আদালতত চৰকাৰী পক্ষৰ হৈ জ্যেষ্ঠ অধিবক্তা উপেন্দ্ৰ ভট্টাচাৰ্যই অংশ লয়। জুবিন হত্যাকাণ্ডৰ সৈতে জড়িতসকলৰ জামিন আবেদনৰ বিৰুদ্ধে চৰকাৰী অধিবক্তা উপেন্দ্ৰ ভট্টাচাৰ্যই পৰৱৰ্তী শুনানিত আপত্তি দৰ্শাব বুলি জানিব পৰা গৈছে। ইপিনে আদালতৰ শুনানিত উপস্থিত থকা শিল্পী পত্নী গৰিমা শইকীয়া গাৰ্গে শুনানি সম্পন্ন হোৱাৰ পাছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত জুবিন গাৰ্গ নোহোৱা হৈ যোৱাটো সৰু কথা নহয় বুলি মন্তব্য কৰি দানৱকেইটাই গুৰুতৰ শাস্তি পাবই লাগিব-বুলি কয়। তদুপৰি শুনানিত বিৰোধী পক্ষই নিজাববীয়াকৈ অধিবক্তা নিয়োগ কৰা বিষয়টোত উদ্বেগ প্ৰকাশ কৰি গৰিমা শইকীয়া গাৰ্গে কয় যে বিৰোধী পক্ষই বাহিৰৰ পৰা নিজৰ স্থিতি যথেষ্ট শক্তিশালী কৰি তুলিছে। যিহেতু আইনী প্ৰক্ৰিয়াৰ মাজত থাকিয়েই এই যুঁজখন কৰিব লাগিব, গতিকে বিশেষ আইনী দল গঠন কৰিবলৈ চৰকাৰক আহ্বান জনাইছোঁ। এই সন্দৰ্ভত ইতিমধ্যে উকীল সন্থা গুৱাহাটীৰ সাধাৰণ সম্পাদক অপূৰ্ব কুমাৰ শৰ্মায়ো এটা বৃহৎ অধিবক্তাৰ দল নিয়োগ কৰি আইনী প্ৰক্ৰিয়াত অংশ ল'লেহে জুবিন গাৰ্গে প্ৰকৃত ন্যায় লাভ কৰিব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়াইছিল। অধিবক্তা শৰ্মাই একেখিনি কথাই পুনৰ উনুকিয়াই কয় যে এজন চৰকাৰী অধিবক্তাই ৭জন অভিযুক্তৰ বিৰুদ্ধে শুনানিত অংশ লৈছে। যাৰ বাবে বহু অসুবিধা হৈছে। চৰকাৰে জুবিন গাৰ্গৰ গোচৰটোৰ বাবে বিশেষ আদালত গঠন কৰিবলৈ উচ্চ ন্যায়ালয়ক অনুৰোধ জনাওক। আইনৰ হাতত এতিয়াও সকলো ৰাস্তা আছে। ভাল অভিজ্ঞতা সম্পন্ন অধিবক্তাৰ দলসহ বিশেষ আদালত গঠন কৰি শুনানি প্ৰক্ৰিয়া চলাই নিলে কম সময়ৰ ভিতৰতে সুন্দৰভাৱে প্ৰিয় শিল্পীয়ে ন্যায় পাবলৈ সক্ষম হ'ব। গৰিমা শইকীয়া গাৰ্গেও অতি শীঘ্ৰেই বিশেষ আইনী দল গঠন কৰি পৃথক আদালতত গোচৰটো ফাষ্টট্ৰেকত চলাই নিয়াৰ ব্যৱস্থা ল'বলৈ চৰকাৰক অনুৰোধ জনায়। গৰিমা শইকীয়া গাৰ্গে কয় যে এছআইটিয়ে তদন্ত ইতিমধ্যে সম্পন্ন কৰিছে। গোটেই প্ৰক্ৰিয়াটো সম্প্ৰতি আদালতৰ মজিয়াত আছে। যিবোৰ ভিডিঅ' আমি দেখিছোঁ, তাতে সম্পূৰ্ণ অৱজ্ঞা জুবিন গাৰ্গক কৰা দেখা গৈছে। যিয়ে যিয়েই নকওক কিয়, আমাৰ মনত তেওঁলোকেই দোষী। কিন্তু দোষীক আইনৰ গণ্ডীত আনিব লাগিব। আকৌ ১৫ দিনৰ পাছত আদালতে শুনানিৰ দিন ধাৰ্য কৰিছে। দিনবোৰ পাৰ হৈ গৈ থাকিব। এনেকৈ অকণ অকণকৈ আগবাঢ়ি থাকিলে বহুদিন লাগিব। গোচৰটোত ৩৯৪ গৰাকী সাক্ষী আছে। প্ৰতিগৰাকীৰ সাক্ষ্য আদালতে ল'ব লাগিলে দশক দশক পাৰ হৈ যাব। গতিকে চৰকাৰে বিশেষ আদালতৰ ব্যৱস্থা কৰি খুব অভিজ্ঞতা সম্পন্ন শক্তিশালী অধিবক্তাৰ এটা দল নিয়োগ কৰক। এইখিনি নকৰিলে অভিযুক্তৰ বিৰুদ্ধে আমাৰ যুঁজ সফল নহ'ব। আদালতত ভাৰ্চুৱেলী উপস্থিত থকা অভিযুক্তকেইজনক দেখি কি প্ৰতিক্ৰিয়া হ'ল বুলি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত গৰিমা শইকীয়া গাৰ্গে কয় যে সকলোকে আজি আত্মবিশ্বাসী ভাৱত দেখিছোঁ। কাৰো মুখত অনুশোচনাৰ তিলমানো চিন নাই। এই অসুৰকেইটাক মই মানুহ বুলি নকওঁ। অসুৰকেইটাই শাস্তি পাবই লাগিব। জুবিন গাৰ্গ অকল মোৰ স্বামীয়েই নাছিল, সকলোৰে বাবে তেওঁ আছিল আৱেগ আৰু প্ৰাণৰ মানুহ। গতিকে তেওঁ ন্যায় পাবই লাগিব।

সম্পাদকীয়...

# সময়



**স্বাগতা বৰুৱা গোস্বামী**

সময় থমকি নৰয়, চিৰ প্ৰবাহমান এই সময়ে আমাক দি যায় কিছুমান অভিজ্ঞতাৰ সমাহাৰ, য'ত থাকে হতাশাৰ পৰা আশা নামৰ কলিটি আৰু এই কলিটিক জীয়াই ৰখোৱাৰ আমাৰ আপ্ৰাণ চেষ্টা। সময় আৰু অংক সচাঁই জংক পংক। সমীকৰণ ওলোৱা জন সৌভাগ্যবান, আৰু আনজনে দিনে ৰাতিয়ে তাৰ সমাধানত ব্যস্ত। ব্যস্ততাৰ ধামখুমীয়াত আমি সময়ৰ মোহমায়াত আবদ্ধ হৈ গৈ খেদি ফুৰো মাথো মৰীচিকা। দিন গৈছে ৰাতি আহিছে। মৰম সনা জোনাকী বাটবোৰত যেন বাৰিষাৰ বৰষুণ জাকে তিয়াই পেলাইছে। জোনাক ৰাতি আইতাই কোৱা সাধুবোৰে ডায়েৰিখন গধুৰ কৰি পেলাইছে। আশাৰ কলিটিও ডাঙৰ হৈ এজোপা বৰগছৰ তলত জিৰণি ল'বলৈ হাহাকাৰ কৰিছে আৰু সময়ে কেৱল মিচিকিয়াইছে। সময়ে কি দিলে?? দিয়াখিনি ভগবান আৰু নিদিয়াখিনি ভাগ্য। ঈশ্বৰ +ভাগ্য=জীৱন আৰু পৰিচালনা কৰে সময়ে। এই সময়ৰ বাবেই ভগবান শ্ৰীকৃষ্ণয়েও তেওঁৰ প্ৰেয়সীক এৰি মথুৰালৈ যাবলগীয়া হৈছিল। জীৱন জিন্দাবাদ। জীৱনত সময়ে ৰং চাই। সেইবাবেই প্ৰতিপল সময়ক আমি উদযাপন কৰিব লাগে। কাৰণ শৈশৱৰ সোণসেৰোৱা বাটক অহৰহ সময়ে বোকোচাত লৈ ফুৰিছে আৰু নিষ্ঠুৰ সময়ে যিদিনাই ভাৰ সহিব নোৱাৰিব সেইদিনাই নিয়তিৰ ওচৰত হাৰ মানিব। সেইবাবে জীৱনৰ প্ৰতিটো ৰঙক সজাই লোৱা। ৰঙৰ লগত ভাগৰি যোৱালৈকে খেলা। বৰ্তমানক ভাল পাবলৈ শিকা কাৰণ ভৱিষ্যতে শুক্ল পক্ষৰ পূৰ্ণিমা ৰাতি ভাল নাপাবও পাৰে।

# বিচিচিআইৰ নিৰ্দেশত আইপিএলৰ পৰা বাদ পৰিল মুস্তাফিজুৰ




ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ড (বিচিচিআই)ৰ নিৰ্দেশ পোৱাৰ পিছতে বাংলা-দেশৰ মুস্তাফিজুৰ ৰহমানক আগন্তুক আইপিএলত দলৰ পৰা বাদ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে কলকাতা নাইট ৰাইডাৰ্ছে। শেহতীয়াকৈ হোৱা আইপিএলৰ নিলামত কলকাতা নাইট ৰাইডাৰ্ছে ৯.২০ কোটি টকাৰ বৃহৎ ধনৰাশিৰে বাংলাদেশী পেচাৰ মুস্তাফিজুৰক ক্ৰয় কৰিছিল। কিন্তু শেহতীয়া ৰাজনৈতিক পৰিস্থিতিৰ পিছত মুস্তাফিজুৰক ক্ৰয় কৰাক লৈ বিতৰ্কৰ সূত্ৰপাত হয়। এই বিষয়ত সাধাৰণ লোকৰ লগতে ৰাজনৈতিক দলসমূহেও তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছিল। এনে বিতৰ্কৰ পিছত বিচিচিআয়ে মুস্তাফিজুৰ ৰহমানক এই বৰ্ষৰ আইপিএলৰ পৰা বহিষ্কাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। বিচিচিআয়ে কলকাতা নাইট ৰাইডাৰ্ছ কৰ্তৃপক্ষক বাংলাদেশী বলাৰজনক নিজৰ দলৰ পৰা অতি সোনকালে মুকলি কৰি দিবলৈ নিৰ্দেশ দিছিল। বাংলাদেশী পেচাৰ মুস্তাফিজুৰক দলৰ পৰা মুকলি কৰিবলৈ বিচিচিআইৰ সচিব দেৱজিৎ শইকীয়াই কলকাতা নাইট ৰাইডাৰ্ছলৈ এক পত্ৰ লিখিছিল। ব'ৰ্ডৰ পৰা এই পত্ৰ লাভ কৰাৰ পিছতে কলকাতাই মুস্তাফিজুৰক দলৰ পৰা বাদ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। বাংলাদেশী খেলুৱৈগৰাকীৰ স্থানত আন যিকোনো বিদেশী খেলুৱৈক কলকাতাই ল'ব পাৰিব বুলি বিচিচিআইৰ সচিব দেৱজিৎ শইকীয়াই সংবাদ প্ৰতিষ্ঠানৰ আগত সদৰী কৰে।

# গুৱাহাটীত দুৰ্ঘটনাগ্ৰস্ত বলীউডৰ অভিনেতা আশিস বিদ্যাৰ্থী



ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ জু-ৰোডত শুকুৰবাৰে নিশা এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। গুৱাহাটীৰ গীতানগৰ আৰক্ষী থানাৰ অন্তৰ্গত জু-ৰোডৰ দ্য গুৱাহাটী এড্ৰেছ নামৰ হোটেলখনৰ সমীপত সংঘটিত দুৰ্ঘটনাটোত বলীউডৰ বিখ্যাত অভিনেতা তথা অসমৰ জোঁৱাই আশিস বিদ্যাৰ্থী আৰু তেওঁৰ পত্নী ৰূপালী বৰুৱা গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। জানিব পৰা মতে, দিছপুৰ দিশৰ পৰা আহি থকা তীব্ৰবেগী এএছ ০১ ডিৱাই ৫০৬১ নম্বৰৰ এভেঞ্জাৰ বাইকখনে নিয়ন্ত্ৰণ হেৰুৱাই জু-ৰোডত খোজকাঢ়ি থকা সময়তে অভিনেতা আৰু তেওঁৰ পত্নীক খুন্দা মাৰে। ফলত অভিনেতা বিদ্যাৰ্থী আৰু পত্নী বৰুৱা আঘাত প্ৰাপ্ত হোৱাৰ লগতে বাইক চালক জন (দহ পৃষ্ঠাত চাওক)

# জুবিন গাৰ্গৰ সপোনৰ ঘৰ খাৰঘুলিৰ বাসগৃহটো ন্যাসৰ নামত আগবঢ়াই দিয়া হ'বঃ গৰিমা গাৰ্গ শইকীয়া



ৰঙিলী বাৰ্ত্তাসেৱা- অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু প্ৰাণৰ শিল্পীগৰাকীৰ সৃষ্টি কৰ্মৰাজিক চিৰযুগমীয়া কৰি ৰখাৰ প্ৰথমটো খোজ। গঠন কৰা হ'ল 'জুবিন গাৰ্গ ন্যাস'। এই পৰিকল্পনাৰ প্ৰথম পদক্ষেপ হিচাপে জুবিন গাৰ্গৰ সপোনৰ ঘৰ খাৰঘুলিৰ বাসগৃহটো ন্যাসৰ নামত আগবঢ়াই দিয়া হ'ব। জুবিন গাৰ্গ ন্যাস গঠনৰ আহ্বানেৰে কাহিলিপাৰাৰ বাসগৃহত আয়োজিত এখন সংবাদ মেলত এই কথা সদৰী কৰিলে শিল্পীপত্নী গৰিমা শইকীয়া গাৰ্গ আৰু ভগ্নী ড° পামী বৰঠাকুৰ সমন্বিতে পৰিয়ালে। আৱেগিকভাৱে সংবাদ মেলত গৰিমা শইকীয়া গাৰ্গে কয় যে বহু দুখৰ বোজা গধুৰ মন লৈ আমি দুঃসময়ৰ মাজতো আগবাঢ়িব খুজিছোঁ। তেওঁ ভাল পোৱা কামখিনি সকলোৱে মিলি আগবঢ়াই নিব লাগিব। এইখিনি স্থবিৰ হৈ গ'লে তেওঁৰ প্ৰতি অন্যায় কৰা হ'ব। জীৱিত সময়ছোৱাত প্ৰিয় শিল্পীয়ে কৈ যোৱ কথা মনত পেলাই পত্নী গৰিমাই পুনৰ কয় যে জীৱনৰ ধুমুহাবোৰ জুবিনে বহু সাহসেৰে পাৰ হৈছিল। তেওঁ প্ৰায়ে কৈছিল- মোক মনত ৰখাতকৈ মোৰ সৃষ্টি আৰু কামখিনিক মানুহে মনত ৰাখিলে বেছি ভাল পাম। দুঃসময়ৰ মাজতো কৰণীয়খিনি কৰি যাবলৈ তেওঁ কৈ গৈছিল। আজি তেওঁ কায়িকভাৱে নাথাকিলেও সকলো অসমীয়াৰ প্ৰাণে প্ৰাণে চিৰকাল তেওঁ আছিল আৰু থাকিব। তেওঁৰ বাবেই আজি 3.5 মাহ পিছত বাহিৰলৈ ওলাই আহিছোঁ। জুবিন গাৰ্গ ন্যাসৰ গঠনৰ বিষয়ে ঘোষণা কৰি পত্নী গৰিমাই কয় যে এই ন্যাসৰ জৰিয়তে জুবিনৰ আদৰ্শক লৈ আমি আগুৱাই যাম। সামাজিক, সাংস্কৃতিক দিশত জড়িত ব্যক্তিসকলৰ বাবেই হওক বা নতুন প্ৰজন্ম অথবা প্ৰকৃতিৰ সংৰক্ষণৰ বাবে যিবোৰ কাম তেওঁ কৰিছিল, তেনে দিশত কিছু কাম আমাৰ সামৰ্থ্য অনুযায়ী (দহ পৃষ্ঠাত চাওক)

# অসমৰ কৰ্কট চিকিৎসালয়ত সংযোজন হ'ব প্ৰট'ন থেৰাপী মেচিনঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ কৰ্কট ৰোগীৰ বাবে এক সুখবৰ আগবঢ়ালে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে অসমত উপলব্ধ হ'ব প্ৰ'টন থেৰাপীৰ ব্যৱস্থা। কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে ৰাজ্য চৰকাৰে প্ৰ'টন থেৰাপী মেচিন স্থাপন কৰিবলৈ গ্ৰহণ কৰিছে বিশেষ ব্যৱস্থা। নতুন দিনৰ বাৰ্তালাপত নৱবৰ্ষৰ প্ৰথম দিনটোতে এই বাৰ্তা দিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি ৰাজ্য চৰকাৰে কেঞ্চাৰ গ্ৰিডত প্ৰ'টন থেৰাপী মেচিন আনিবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। ইতিমধ্যে ইয়াৰ বাবে নিবিদা প্ৰকাশ কৰা হৈছে। প্ৰ'টন থেৰাপী মেচিন কেৱল টাটা (নপৃষ্ঠাত চাওক)

# ২০ ফেব্ৰুৱাৰীত অৰুণোদয় আঁচনিৰ হিতাধিকাৰীয়ে লাভ কৰিব ৮ হাজাৰকৈ টকা



ৰঙিলী বাৰ্ত্তাসেৱা-নৱবৰ্ষৰ প্ৰথম দিনটোতে সুখবৰ কঢ়িয়াই আনিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। নৱবৰ্ষত অৰুণোদয়ৰ মহিলাসকলক এক উপহাৰ দিব বুলি পূৰ্বে ঘোষণা কৰা মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰতিগৰাকী অৰুণোদয় হিতাধিকাৰীক ফেব্ৰুৱাৰী মাহত বিহুৰ উপহাৰ স্বৰূপে ৮ হাজাৰ টকাকৈ দিয়াৰ কথা ঘোষণা কৰে। নৱবৰ্ষৰ প্ৰথম দিনটোত সংবাদ মাধ্যমৰ সৈতে অনুষ্ঠিত কৰা নতুন দিনৰ আলাপত এই ঘোষণা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়-নিৰ্বাচনৰ সময়ছোৱাত অৰুণোদয় আঁচনি প্ৰদান কৰাক লৈ সদায়ে এটা বিতৰ্কৰ সৃষ্টি হৈ আহিছে। এইক্ষেত্ৰত বিৰোধীয়েও নিৰ্বাচনৰ সময়ত অৰুণোদয় আঁচনি প্ৰদান কৰাক লৈ আপত্তি তোলে। সেয়েহে এই বিতৰ্কৰ উৰ্ধ্বত গৈ ২০ ফেব্ৰুৱাৰীত অসমৰ প্ৰতিগৰাকী অৰুণোদয় হিতাধিকাৰীক বিহুৰ উপহাৰ হিচাপে আগতীয়াকৈ ৮ হাজাৰ (নপৃষ্ঠাত চাওক)

# অসমত গঠন হ'ব অষ্টম দৰমহা আয়োগঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ইংৰাজী নৱবৰ্ষৰ প্ৰথমটো দিনটোতে ৰাজ্যৰ চৰকাৰী কৰ্মচাৰীসকলৰ বাবে সুখবৰ কঢ়িয়াই আনিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। অচিৰেই ৰাজ্যত অষ্টম দৰমহা আয়োগ গঠন হ'ব বুলি ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ইংৰাজী নৱবৰ্ষ উপলক্ষে কইনাধৰাত সাংবাদিকৰে হোৱা নতুন দিনৰ আলাপত এই ঘোষণা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- 'অৱসৰপ্ৰাপ্ত আইএএছ বিষয়া সুভাষ দাসৰ অধ্যক্ষতাত ৰাজ্য চৰকাৰে অষ্টম দৰমহা আয়োগ গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰাৰ পাছতে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ সমহাৰত ৰাজ্যিক কৰ্মচাৰীকো (নপৃষ্ঠাত চাওক)

# জুবিনৰ গোচৰৰ বাবে ১২ জানুৱাৰীত বিশেষ চৰকাৰী অধিবক্তা নিয়োগ কৰিব চৰকাৰে



ৰঙিলী বাৰ্ত্তাসেৱা- ইংৰাজী নৱবৰ্ষৰ প্ৰথম দিনটোত অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গক স্মৰণ কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই । ২০২৫ চনক অসমৰ বাবে গভীৰ দুখজনক বছৰ বুলি অভিহিত কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। নতুন দিনৰ আলাপত এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- ২০২৫ বৰ্ষ জাতিৰ বাবে এক দুৰ্ভাগ্য বৰ্ষ হিচাপে ৰৈ যাব। কিয়নো বিগত বৰ্ষত আমি জুবিনৰ দৰে মহান শিল্পী এগৰাকীক হেৰুৱালোঁ। তেওঁৰ মৃত্যুৰ পিছত (নপৃষ্ঠাত চাওক)

# নৱবৰ্ষৰ শুভেচ্ছাৰে




**বন্দিতা শৰ্মা কন্দলি**

মৰমৰ মইনাহঁত আমাৰ চকুৰ পচাৰতে ২০২৫ বৰ্ষটোক বিদায় দিয়াৰ সময় পালেহি নহয় নে বাৰু! লগে লগে নতুন বৰ্ষক আদৰিবও লাগিব। সময় গতিশীল। প্ৰকৃতিয়ে যেনেদৰে নিজৰ কাম কৰি গৈ থাকে থিক সেইদৰেই গতিশীল সময় কাৰো বাবে ৰৈ নাথাকে। সময় ধৰি ৰাখিব পাৰি কেৱল কৰ্মৰ জৰিয়তেহে। সেয়ে আমি সময়ৰ প্ৰতিটো মূহুৰ্ত উপলব্ধি কৰিব পাৰিব লাগিব। উদাহৰণ স্বৰূপে ডিচেম্বৰ মাহত গ্ৰন্থমেলাৰ পৰা কিতাপ এখন কিনি আনি যদি ডিচেম্বৰ মাহৰ ভিতৰতে পঢ়ি শেষ কৰিছা। তেতিয়া তোমাৰ বাবে ডিচেম্বৰ মাহটো কিতাপ খনৰ জৰিয়তে ধৰি ৰখা বুলি ক'ব পাৰি। কিয়নো ডিচেম্বৰ মাহত এটা ভাল কাম কৰা হৈছে। কেতিয়াবা আকৌ কৰিম বুলি ভবা কিছুমান কাম এলাহত বা বিভিন্ন অজুহাতত কৰিবলৈ থাকি যায়। এনেদৰে থাকি যোৱা কাম বোৰৰ হিচাব কৰা হয় বছৰৰ শেষত। নতুন বছৰ অহাৰ লগে লগে আধাৰুৱা কামবোৰ সম্পূৰ্ণ কৰাৰ বাবে মন স্থিৰ কৰা হয়। আচলতে ইংৰাজী মাহৰ প্ৰথম মাহৰ প্ৰথম দিনটোৱেই যে নতুন বছৰৰ নতুন দিন এনে নহয়। প্ৰতিটো পুৱাই নতুন। গতিকে প্ৰতিটো পুৱাতেই আমি নতুন উদ্যমেৰে দিনটোৰ বাবে সাজু হ'ব লাগে।

২০২৫ বৰ্ষটোত আমি বহু কেইজন বিশিষ্ট ব্যক্তিক হেৰুৱাইছোঁ। তাৰে ভিতৰত আমাৰ হিয়াৰ আমঠু জুবিন গাৰ্গ অন্যতম। তোমালোকে এটা কথা নিশ্চয় মন কৰিছা যে জুবিন গাৰ্গক কেৱল সুন্দৰ গান গোৱাৰ বাবেই সকলোৱে ভাল পাইছিল এনে নহয়। তেওঁৰ বহুতো ভাল গুণ আছিল। আমি ভাল গুণ সমূহ অভ্যাসত পৰিণত কৰিব পাৰিলেহে সজ ব্যক্তি হিচাপে নিজকে গঢ়ি তুলিব পাৰিম। প্ৰথমতে আমি নিজক ভাল পাবলৈ শিকিব লাগিব। তেতিয়া বেয়া অভ্যাস ৰ পৰা নিজৰ আঁতৰত ৰাখিব পাৰি। দ্বিতীয়তে প্ৰকৃতিৰ প্ৰতি ভালপোৱা থাকিব লাগিব। গছ-গছনি, জীৱ-জন্তুৰ প্ৰতি মৰম থাকিব লাগিব। আনৰ দুখত দুখী হৈ সহায়ৰ হাত আগবঢ়াব পৰা হ'ব লাগিব। আনৰ প্ৰতি হিংসাৰ ভাৱ নাৰাখি নিজকে তেনেদৰে আগুৱাই লৈ যোৱাৰ কথাহে ভাবিব লাগে।

সকলোতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল আত্মবিশ্বাস। আত্মবিশ্বাস আৰু সাহস থাকিলে সকলোতে জয়লাভ কৰিব পাৰি। গতিকে মইনাহঁত আমি প্ৰতিটো পুৱাতে নতুন উদ্যম আৰু আত্মবিশ্বাসেৰে সময়ৰ সৎ ব্যৱহাৰ কৰি নিজৰ কৰ্তব্য পালন কৰি যাম বুলি সংকল্প লও আহা। আশাকৰোঁ ২০২৬ চনটোৱে সকলোৰে বাবে সুখ সমৃদ্ধি কঢ়িয়াই আনক।

# শীতৰ আমেজ সনা সপোন



**যমুনা দুলু বৈশ্য,শুৱালকুছি**

এতিয়া শীতৰে বা
সময়ৰ স'তে নানা বেমাৰ
ঠাণ্ডাত কঁপি আগচোতালত
বহি ৰ'দৰ উম।
নতুন সৃষ্টিৰে আহে নতুন বৰ্ষ
আহে এই সময়তে
পুহৰ পবিত্ৰ মাহতেই
অন্য বহুতৰ দৰেই
সুভাগ্যৰ সপোন সিঁচি দিয়ে
প্ৰকৃতিয়েও দিয়ে নতুনৰে শলাগ।
সেউজীয়া হৈ জীপাল হোৱা হেঁপাহত
আশাৰ বতৰাৰে আনন্দ, উৎসাহত,
নতুন দিগন্তৰ বাটলৈ এখোজ আগলৈ
আশাৰ ৰেঙনি কঢ়িয়াই আনে ।।
হৃদয়ে, হৃদয়ে গুজি দিব
প্ৰতিজনৰ মনে প্ৰাণে
আশাৰ প্ৰণয়ৰে দুচকুত মিলন সাঁকো ।।

# শীতৰ প্ৰকোপ আৰু উৎকট গৰম কিয়? (কৰ্ম অনুযায়ী ফল)



**শৈলেন কুমাৰ, মিৰ্জা**

ৰাজ্যজুৰি বৃদ্ধি পাইছে শীতৰ প্ৰকোপ, ব্যহত হৈছে জনজীৱন । শীতকালত ঠাণ্ডা আৰু গ্ৰীষ্মকালত উৎকট গৰম আমাৰ অনুভৱ হয় । কিন্তু কি কাৰণে গৰম আৰু ঠাণ্ডা তাৰ কাৰণ অধিকাংশই বুজিবলৈ জানো চেষ্টা কৰে ? মানে কথাবিলাক এনেধৰণৰ কোনবাই জীয়াই থাকে অথবা মৃত্যু হয় তাত আমাৰ কি আহে আৰু যায়? মোৰ পেট আৰু পৰিয়ালৰ পেটতো ভৰি আছে নহয় । এই যে আমাৰ সুবিধাবাদী, স্বাৰ্থবাদী চিন্তাধাৰা কেৱল নিজৰ কথা চিন্তা কৰা? এইবোৰে আমাক কি বনাই পেলালে? উৎকট গৰম আমি সহিব নোৱাৰোঁ লগতে অত্যধিক শীতত আমি জীৱন নিৰ্বাহ কৰিব নোৱাৰোঁ । কিন্তু আমাৰ নষ্ট চৰিত্ৰ আৰু স্বভাৱ যিয়ে আমাক বতাহ, পানী, খাদ্য, বাসস্থান দিব তাকে আমি অস্তিত্বহীন কৰিম । আমাৰ চৰিত্ৰ খাই পাত ফলা বিধৰ আমি অকৃতজ্ঞ স্বাৰ্থবাদী মানুহ। গছে বায়ু দিয়ে, আমি গছ কাটি বনাঞ্চল ধ্বংস কৰাত শ্ৰেষ্ঠ, অবাধ খনন, পাহাৰ জংঘল কাটি তহিলং। নদীয়ে পানী দিয়ে, ভাৰতবৰ্ষৰ নদীবোৰ অৱস্থা তথৈবচ, নদীৰ পানী বিষাক্ত হৈ পৰিছে । খাদ্য আৰু বাসস্থানৰ যোগানকাৰী পথাৰবোৰত পুজিপতিৰ গ্ৰাসত, কিছুপৰিমাণৰ ধনৰ বিনিময়ত আমি পথাৰবোৰ পুজিপতিৰ হাতত গটাই দিওঁ, তাত ডাঙৰ উদ্যোগ প্ৰতিষ্ঠান, কলকাৰখানা সৃষ্টি কৰি, প্ৰদূষণ বিষবাষ্প বিয়পাই দিয়া হয় ।যাৰ পৰিনাম আৰু পৰিণতি প্ৰদূষণ আৰু জলবায়ু পৰিৱৰ্তন। আমি কেতিয়াবা সুস্থিৰভাৱে ভাবি চাইছোঁনে কৃত্ৰিম সৃষ্টিশীলতাৰ দৌৰত আমি প্ৰকৃতি আৰু পৃথিৱীখনক কমটো কষ্ট দি থকা নাইনে? আমি নিজৰ ভৰিত নিজে কুঠাৰ মাৰি থকা নাইনে? কিন্তু চিৰসত্য কথা যে সৃষ্টি হ'লে ধ্বংস অনিবাৰ্য্য। আৰু সেয়াই অন্তিম সত্য জন্ম হ'লে মৃত্যু হব কিন্তু জীৱনত জন্ম আৰু মৃত্যুই তেতিয়া পূৰ্ণতা পায় যেতিয়া আমি সত্যক সঁচা আৰু অসত্যক মিছা বুলি কোৱাৰ সৎ সাহস থাকে কিন্তু বৰ্তমান আমাৰ মনমগজু সকলো বিক্ৰী অৰ্থৰ লালসাত, সঁচা কথা কোৱাটো মহাপাপ আৰু হিংসাকুৰীয়া মানৱৰূপী দানৱবোৰ আছেই জুই একুৰাত ফিৰিঙতি দিবলৈ। গতিকে আমি স্মৰণ কৰা উচিত বীৰ শ্বহীদ সকলৰ কথা যাৰ বলিদানৰ পৰিণতি আজিৰ সমাজ আজিৰ দেশ । কিন্তু আমি বীৰ শ্বহীদ সকলোকো পাৰিলে উপলুঙা কৰিবলৈ চেষ্টা কৰিম কাৰণ বীৰৰ শৌৰ্য্যবীৰ্য্যৰ মহান গাথাঁ আমাৰ দৰে সাধাৰণ শ্ৰেণীয়ে ঢুকি নেপাওঁ, গতিকে ঢুকিব নোৱাৰা বিষয়বোৰ বিকৃত কৰাটো আমাৰ নিকৃষ্ট স্বভাৱ আৰু চৰিত্ৰ । যিজন মহানৰ আমি চুলি এডালৰো যোগ্য নহয় সেইজন মহানক আমি তুচ্ছতাছিল্য কৰি নিঃশেষ কৰি

( পাঁচ পৃষ্ঠাত চাওক)

অণুগল্প

**দীপাংকৰ শইকীয়া, ধেমাজি**

# যি কণ্ঠ নীৰৱ নহ'ল



খবৰটো বতাহত বিয়পি পৰিল-"জুবিন গাৰ্গ আৰু নাই।" ৰেডিঅ'বোৰ নীৰৱ হ'ল, মঞ্চবোৰ খালী। মানুহে ক'লে, সুৰ থমকি গ'ল। কিন্তু সন্ধিয়া হ'ওঁতেই কোনো অজান ঘৰত আকৌ এটা গীত বাজি উঠিল- মায়াবিনী ৰাতিৰ বুকুত...অশ্ৰুশিক্ত মনত জোনাক নামিল।

লুইতৰ পাৰত কোনোৱে চকুপানী মচিলে, কাৰোবাৰ বুকুত আকৌ সাহস জাগিল। সকলোৱে নীৰৱে বুজিলে- দেহৰ শেষ হয়, কিন্তু যিয়ে জাতিৰ বুকুত সুৰ সাঁচি থৈ যায়, তেওঁ মৃত্যুৰ পাছতো জীয়াই থাকে। সেই মুহূৰ্তত সকলোৱে বুজিলে-মৃত্যুৱে দেহ লৈ যায়, সুৰ লৈ যাব নোৱাৰে। জুবিন গাৰ্গ গ'ল বুলি ক'লে, বিশ্বই ক'লে- "তেওঁ এতিয়াও প্ৰতিজনৰ হৃদয়ৰ ভিতৰত শ্মশান পাৰ হৈও গান গাই আছে।"

# পাৰ হৈ গল বছৰ এটি

উৎপল চুতীয়া,
কোঁৱৰপুৰ, শিৱসাগৰ



বছৰ এটি অতিত হ'ল
থৈ গল কিছু অম্লমধুৰ স্মৃতি
আৰু কিছু দুখৰীয়া ছবি
ৰৈ গল বহু অপূৰ্ণ আশা
তথাপি চলি থাকিল জীৱন ডিঙা
এটা বছৰ পাৰ হৈ গল
অপ্ৰাপ্তিক পাবলৈ কত যে কত যে হেঁপাহ
জীৱনক জীপাল কৰাৰ
এটি এটি ক্ষণৰ আশা...
বছৰ এটি ইতিহাস হৈ এৰি গল
বুকুত অনেক সপোন গাঁথা
যেন অতৃপ্ত সূৰ্য শিখা...

# নতুন দিনৰ বাবে কবিতা

প্ৰভাত বণিয়া



মনোৰম ফুলৰ শৰাই তোমাৰ বাবেই
আগবঢ়াইছো তুমি সুখী হোৱা
সুন্দৰ মনৰ অধিকাৰী হোৱা
ধুনীয়া হোৱা, বিনয়ী হোৱা সৎ চিন্তা
সম্ভাৱনা হ'ক তোমাৰ জীৱনৰ পণ
জগত সুন্দৰ কৰা
সবল সুঠাম সুশ্ৰী নিটোপল দেহ,
তুমি উজলি উঠা
সুজলা সুফলা
আমাৰ কবিতাৰ সভাত
ফুলৰ শৰাই অতি হেঁপাহেৰে
তোমাৰ বাবেই আগবঢ়াইছো
হে মোৰ নৱ প্ৰজন্ম
তুমি সুখী হোৱা
নিৰ্ভিক হোৱা
জ্ঞানৰ বন্তিৰে জগত আলোকিত কৰা।
তোমাক স্বাগতম!

# শীতৰ প্ৰকোপ আৰু

দিয়াটোৰেই শ্ৰেয়। কিন্তু এই অৱহেলা, এই নিকৃষ্ট ষড়যন্ত্ৰ আদিৰ বাবে আমি আজি পৰিতপ্ত। যোগ্যতাক আমি কেতিয়াও প্ৰাধান্য নিদিও পাৰিলে যোগ্যজনক সমলোচনা কৰি লেংমাৰি উফৰাই পেলোৱাটো আমাৰ চৰিত্ৰ । মহাপ্ৰলয় অনিবাৰ্য্য এফালে যদি গৰম মৰুভূমি আৰু আনফালে শীতল মৰুভূমি লগতে অনাকাংক্ষিত বানপানী আৰু আগ্নেয়গিৰি উদ্‌গীৰণ এয়া হব আমাৰ অনিচ্ছাকৃত কৰ্মৰ ফল। আমাৰ অতিপাত সুখৰ বোজা ৰূপে আমি অনাকাংক্ষিত ভৱিষ্যতৰ বাবে এতিয়াৰেপৰা সাজুহৈ থকা উচিত।

# স্বাগতম ২০২৬

কবিতা শৰ্মা, নতুন দিল্লী




ঘন কুঁৱলীয়ে আৱৰি ৰাখিছে চৌদিশ। পুহমহীয়া প্ৰচণ্ড শীতে চুই গৈছে সকলোকে। নিশাৰ সেই ঘন কুঁৱলীৰ আৱৰন ফালি সেন্দুৰীয়া প্ৰভাতি সুৰুজৰ ৰাঙলী ৰহণ চৌপাশে বিয়পি কঢ়িয়াই আনিছে নৱবৰ্ষৰ শুভ বাৰ্তা। নৱোদিত সুৰুজৰ ৰাঙলী আভাই যেন সকলোৰে চকু নতুন আশাৰে তিৰবিৰাই তুলিছে। এৰি থৈ অহা বিভিন্ন ঘাট - প্ৰতিঘাট, পোৱা - নোপোৱাৰ হিচাপ পাহৰি, সম্ভাৱনাপূৰ্ণ ভৱিষ্যতক আদৰিবলৈ সকলোৱে এতিয়া ন-ন প্ৰস্তুতি চলাইছে। এক নতুন সম্ভাৱনা, নতুন উদ্দীপনা, নতুন আশা লৈ পদুলি মুখতে যে অপেক্ষা কৰি আছে আন এটা নতুন বছৰে...আমাৰ সকলোৰে হেঁপাহৰ ২০২৬!

এনে লাগে, সৌ সিদিনা ভৰি দিছিলোহে ২০২৫ত। সচাঁকে চকুৰ পচাৰতে বছৰটো কেনেকৈ যে পাৰ হৈ গ'ল গমকে নাপালোঁ। সময় নিৰন্তৰে নিৰবধি এনেকৈয়ে পাৰ হৈ গৈ আছে। আচলতে বছৰ -মাহ - দিন আদিবোৰ সময়ৰ এটা ক্ষুদ্ৰ অংশহে মাথোঁ। এই অনন্ত ব্যাপ্ত সময়ৰ মাজতেই মানুহৰ জীৱন কাল ... মানুহৰ আয়ুসৰেখা ডালো ...

কেতিয়াবা এনে লাগে যেন সময় বৰ নিষ্ঠুৰ। আমি ইচ্ছা কৰিলেও সময়ক ধৰি ৰাখিব নোৱাৰোঁ। হেৰাই অহা অতীতৰ মধুৰ স্মৃতি বোৰ, মধুৰ মুহূৰ্তবোৰে আমাক কেতিয়াবা বৰকৈ আমনি কৰে। কিন্তু সেয়া কেবল আমি সোঁৱৰিবহে পাৰোঁ। অতীতলৈ ঘূৰি যাবতো নোৱাৰোঁ। জীৱনৰ অনিৰ্দিষ্ট বাটত আমি খোজে লবলৈ বাধ্য। হাজাৰ খলা - বমা, বাধা - বিঘিনি নেওচিও আমি আগবাঢ়ি যাব লাগিব। আগবাঢ়ি যোৱাৰ নামেই যে জীৱন।

এই পৃথিৱীত সুখ সকলোৰে কাম্য। কিন্তু সুখৰ সন্ধানত থাকি আমি কিয় পাহৰি যাওঁ যে, দুখবোৰো এই সুখৰে ছাঁ। এটা মুদ্ৰাৰে ইপিঠি -সিপিঠি। এটাক এৰি আনটো অৰ্থহীন। আশা কৰা মতে মানুহে জীৱনত সম্পূৰ্ণকৈ একোৱেই নাপায়। আমাৰ জীৱনলৈ যেনেকৈ কেতিয়াবা সফলতা আহে, তেনেকৈয়ে কেতিয়াবা আমি বিফলতাৰো সন্মুখীন হব লগীয়া হয়। কেতিয়াবা আপোনজনক হেৰুৱাই যদি কান্দো, কেতিয়াবা নতুনজনৰ আগমনত হাঁহিৰ নিজৰা বোৱাও ... মুঠতে পোৱা - হেৰুওৱা, প্ৰাপ্তি - অপ্ৰাপ্তিৰ মাজতেই আমাৰ জীৱন। সেইবুলি জানো আমি আশা এৰি দিয়াটো উচিত? আমি আশা ৰাখিব লাগে আমাৰ জীৱনক লৈ। আমি সপোন দেখিব লাগে আমাৰ নিজৰ কাৰণে, আমাৰ আপোনজনৰ কাৰণে। এটা সুন্দৰ ভৱিষ্যত আশা ৰাখি আমাৰ হেপাঁহৰ সপোনবোৰ বাস্তৱায়িত কৰা চেষ্টা এৰি দিয়া আমাৰ উচিত নহয়। বেয়া খিনি এৰি, ভাল খিনি আঁকোৱালী লৈ জীৱনৰ বাটত আগবাঢ়ি যোৱাটোহে আমাৰ কৰ্তব্য। প্ৰাপ্তি বা অপ্ৰাপ্তি - ফলাফল যিয়েই নহওক কিয়।

সাধাৰণতে সকলো মানুহেই সুখৰ সন্ধানত থাকে যদিও, এই কথাও মিছা নহয় যে, সুখৰ সংজ্ঞা কিন্তু আমাৰ সকলোৰে বাবে একে নহয়। কাৰোবাৰ বাবে সুখৰ সংজ্ঞা যদি ভোকৰ এমুঠি অন্ন, আন কোনোবাই আকৌ পাচ তাৰকা হোটেলৰ আহাৰ খায়ো সুখী হব নোৱাৰে। ফুটপাথত শুয়েই যদি কোনোবাই সুখৰ সন্ধান কৰে, কোনোবাই আকৌ বিশাল অট্টালিকাৰ বিলাসী কোঠাত নিশা যাপন কৰিও জীৱনৰ সুখ বিচাৰি নাপায়। (আঠপৃষ্ঠাত চাওক)

# কালৰ মহাতাণ্ডৱ আৰু নৱবৰ্ষৰ শান্তিপূৰ্ণ প্ৰত্যয়



মহাকালৰ অবিৰাম যাত্ৰাপথত আৰু এটা বছৰৰ পদচিহ্ন বিলীন হ'ল। সময়ৰ এই বিৰতিহীন সোঁতত নৱবৰ্ষৰ আগমন কেৱল এটা দিনৰ পৰিৱৰ্তনেই নহয়, বৰঞ্চ ই মানৱ আত্মাৰ বাবে এক আধ্যাত্মিক পুনৰ্জন্মৰ আহ্বান। দৃশ্যমান জগতৰ ব্যস্ততা আৰু কোলাহলৰ মাজত নিজৰ সত্তাক বিচাৰি পোৱাৰ এক বিৰল সন্ধিক্ষণ হ'ল এই নৱবৰ্ষ।

প্ৰকৃততে, নতুন বছৰৰ প্ৰভাতী সূৰ্যই আমাক সোঁৱৰাই দিয়ে যে জগতখন পৰিৱৰ্তনশীল। আধ্যাত্মিক দৃষ্টিকোণেৰে চালে দেখা যায় যে, বাহ্যিক জগতৰ জয়-পৰাজয়তকৈ অন্তৰ্জগতৰ জয়গানহে অধিক মহীয়ান। যি সময়ত পৃথিৱীজুৰি অশান্তি আৰু বিভাজনৰ ক'লা ডাৱৰে মানৱতাক আৱৰি ধৰিছে, সেই সময়ত আমাৰ অন্তৰত প্ৰজ্ঞা আৰু প্ৰেমৰ চাকি জ্বলোৱাটোৱেই একমাত্ৰ কৰ্তব্য হোৱা উচিত। আধ্যাত্মিকতা কোনো ৰীতি-নীতিৰ মাজত আৱদ্ধ নহয়; ই হ'ল অহংকাৰৰ বিসৰ্জন আৰু বিশ্ব-ব্ৰহ্মাণ্ডৰ প্ৰতিটো বিন্দুৰ মাজত নিজক বিচাৰি পোৱাৰ এক অনবদ্য অনুভূতি। আহক, এই নৱবৰ্ষত আমি সংকল্প লওঁ-

কুঙিল হাজৰিকা,যোৰহাট, টীয়ক,ভগামুখ

**আত্মবিশ্লেষণৰঃ** আমাৰ ভিতৰত থকা অসূয়া-অপ্ৰীতিসমূহ ত্যাগ কৰি সত্যৰ অন্বেষণ কৰা।

**নিৰ্মলতাৰঃ** জগতৰ প্ৰতিটো প্ৰাণীকে সন্মান জনাই বিশ্ব-ভাতৃত্ববোধক শক্তিশালী কৰা।

**মৌনতাৰঃ** শব্দৰ অৰণ্যত নিজক হেৰুৱাই নেপেলাই মৌনতাৰ মাজত ঈশ্বৰীয় প্ৰশান্তিক অনুভৱ কৰা।

সমাজৰ পৰা কলুষতা আঁতৰাবলৈ হ'লে প্ৰথমে ব্যক্তিৰ অন্তৰখন পবিত্ৰ হ'ব লাগিব। নৱবৰ্ষৰ এই পবিত্ৰ লগ্নত আমি যেন কেৱল বস্তুগত সমৃদ্ধিৰ আশাতে মগন নাথাকি, এক নৈতিক আৰু আধ্যাত্মিক উত্তৰণৰ দিশে ধাৱমান হওঁ। শান্তিৰ সুবাসেৰে জগত আমোলমোলাই উঠক আৰু প্ৰতিটো মানৱাত্মাই যেন দিব্য জ্ঞানৰ পোহৰত নিজক চিনাক্ত কৰিবলৈ সক্ষম হয়- এয়াই হওক আমাৰ নতুন বছৰৰ ঐকান্তিক প্ৰাৰ্থনা।

# যুৱ লেখকৰ সমাজৰ প্ৰতি থকা দায়বদ্ধতা

ৰাজলক্ষ্মী বৰঠাকুৰ, দেৰগাঁও



যুৱ সমাজ সমাজৰ এক শক্তিশালী প্ৰতিনিধি সেইয়ে যুৱ লেখকৰ সমাজৰ প্ৰতি বিশেষ দায়বদ্ধতা থাকে, কিয়নো তেওঁলোকেই সমাজৰ বৰ্তমান অনুভৱ আৰু ভৱিষ্যৎ দিশ দুয়োটাকে শব্দৰ মাজেৰে প্ৰতিফলিত কৰে। যুৱ লেখকৰ চিন্তা-চেতনাত নতুনত্ব থাকে, সাহস থাকে, আৰু সমাজৰ অসংগতিৰ প্ৰতি প্ৰশ্ন তুলিবলৈ শক্তি থাকে। সেইবাবে তেওঁলোকৰ লেখা কেৱল ব্যক্তিগত অনুভৱ প্ৰকাশৰ মাজতেই সীমাবদ্ধ নাথাকি সমাজৰ কল্যাণৰ বাবে এক দায়িত্বশীল মাধ্যম হ'ব লাগে।

প্ৰথমতে, যুৱ লেখকে সমাজৰ সত্য বাস্তৱতাক সততা আৰু স্পষ্টতাৰে উপস্থাপন কৰা উচিত। সমাজত থকা বৈষম্য, অন্যায়, কুসংস্কাৰ, নৈতিক অবক্ষয় আদি বিষয়ত তেওঁলোকে সচেতনভাৱে লিখিব পাৰে। কিন্তু ইয়াত উদ্দেশ্য কেৱল দোষ ধৰা নহয়; সমস্যাৰ মূল কাৰণ দেখুৱাই সমাজক ভাল দিশলৈ আগুৱাই নিয়াৰ পথ দেখুওৱাটোৱেই লেখকৰ মূল দায়িত্ব।

দ্বিতীয়তে, যুৱ লেখকে মানৱীয় মূল্যবোধ জাগ্ৰত কৰাত গুৰুত্ব দিব লাগে। সহানুভূতি, সহিষ্ণুতা, সততা, দায়িত্ববোধ, আৰু সামাজিক একতা আদি গুণবোৰ সাহিত্যৰ জৰিয়তে পাঠকৰ মনত গভীৰ প্ৰভাৱ পেলাব পাৰে। বিশেষকৈ যুৱ সমাজে যুৱ লেখকৰ পৰা অধিক প্ৰভাৱিত হয়, সেয়ে তেওঁলোকৰ লেখাই ইতিবাচক চিন্তা গঢ়ি তুলিব পৰা হওঁক।

তৃতীয়তে, ভাষা আৰু সংস্কৃতি সংৰক্ষণ কৰাও যুৱ লেখকৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব। মাতৃভাষাত লিখি, লোকসংস্কৃতি, পৰম্পৰা, ইতিহাস আৰু স্থানীয় জীৱনশৈলী সাহিত্যত অন্তৰ্ভুক্ত কৰি তেওঁলোকে নিজৰ সমাজৰ পৰিচয় ৰক্ষা কৰিব পাৰে। আধুনিকতাৰ নামত নিজৰ শিপা পাহৰি যোৱাটো ৰোধ কৰাত যুৱ লেখকৰ ভূমিকা অতি মূল্যৱান।

শেষত ক'ব পাৰি যে, যুৱ লেখক সমাজৰ বিবেকস্বৰূপ। তেওঁলোকৰ কলমে সমাজক জাগ্ৰত কৰিব পাৰে, চিন্তা কৰাব পাৰে আৰু পৰিবৰ্তনৰ পথ মুকলি কৰিব পাৰে। সেয়ে যুৱ লেখকে দায়িত্বশীল, সংবেদনশীল আৰু সচেতন হৈ সাহিত্যচৰ্চা কৰাটো সমাজৰ সুস্থ বিকাশৰ বাবে অতি প্ৰয়োজনীয়।

# গ্ৰন্থৰ সংকট, যুৱ লেখক সন্মান আৰু যুৱ প্ৰজন্মৰ দায়বদ্ধতা



দ্বীপেন বৰুৱা

গ্ৰন্থ হ'ল মানৱ সভ্যতাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৌদ্ধিক সম্পদ। মানৱ সভ্যতাৰ ইতিহাসত জ্ঞান সংৰক্ষণ, চিন্তাৰ বিকাশ আৰু সংস্কৃতিৰ উত্তৰণত গ্ৰন্থই মুখ্য ভূমিকা পালন কৰি আহিছে। বেদ, উপনিষদ, কোৰাণ, বাইবেলৰ পৰা আৰম্ভ কৰি আধুনিক সাহিত্য-গ্ৰন্থলৈকে সকলোৱেই মানৱ সমাজক চিন্তাশীল, সংবেদনশীল আৰু দায়িত্বশীল কৰি গঢ়ি তুলিছে। গ্ৰন্থ কেৱল কাগজৰ সংকলন নহয়; ই যুগৰ চিন্তা, অনুভৱ আৰু অভিজ্ঞতাৰ জীৱন্ত দলিল।

ৰোমান দাৰ্শনিক মাৰ্কুজ টুলিউচ চিচেৰ'ৰ এযাৰ বিখ্যাত উক্তি হৈছে- গ্ৰন্থবিহীন একোটা কোঠা আত্মাবিহীন এটা শৰীৰৰ দৰে (A room without books is like a body without a soul)। প্ৰাণৰ শিল্পী জুবিন গাৰ্গেও কৈ গৈছে, 'কিতাপ নথকা এটা জাতিক গামোচাই বচাব নোৱাৰে।' আন আন বহুতো মহান ব্যক্তি তথা চিন্তাবিদে গ্ৰন্থৰ প্ৰয়োজনীয়তা সন্দৰ্ভত গুৰুত্বপূৰ্ণ উক্তি আগবঢ়াই গৈছে। নিয়মিত গ্ৰন্থ অধ্যয়নে ভাষাগত দক্ষতা বৃদ্ধি কৰাৰ লগতে নৈতিক মূল্যবোধ গঢ় দিয়ে আৰু সমালোচনামূলক দৃষ্টিভংগী বিকশিত কৰে। তদুপৰি, ইয়াৰ জৰিয়তে ব্যক্তি আৰু সমাজৰ মাজত সংযোগ স্থাপন হয়। বিশেষকৈ সাহিত্য, ইতিহাস, দৰ্শন আৰু সমাজ বিজ্ঞানমূলক গ্ৰন্থ অধ্যয়নে যুৱ প্ৰজন্মক দায়িত্বশীল নাগৰিক হিচাপেও গঢ়ি তোলে। পণ্ডিতসকলে কৈছে যে গ্ৰন্থ হ'ল মানৱ জীৱনৰ সকলোতকৈ জ্ঞানী বন্ধু, নিৰহংকাৰী শিক্ষক, দূৰদৰ্শী মাৰ্গদৰ্শক আৰু বিপদত সংগ ত্যাগ নকৰা আটাইতকৈ বিশ্বাসী লগৰীয়া।

যুগে-যুগে গ্ৰন্থই জ্ঞানৰ সঞ্চাৰ কৰিছে, সভ্যতা গঢ়িছে আৰু সমাজক বাটৰ সন্ধান দিছে। কিন্তু বৰ্তমান সময়ত প্ৰযুক্তিগত বিকাশ, দ্ৰুত জীৱনধাৰা আৰু ভিন্ন বিনোদন মাধ্যমৰ প্ৰভাৱত গ্ৰন্থ অধ্যয়নৰ প্ৰৱণতা স্পষ্টভাৱে হ্ৰাস পাইছে। এই পৰিস্থিতিক নিঃসন্দেহে গ্ৰন্থৰ সংকট বুলি ক'ব পাৰি। আজিৰ ডিজিটেল যুগত ম'বাইল ফোন, সামাজিক মাধ্যম, ভিডিঅ' গেম আদি যুৱ প্ৰজন্মৰ দৈনন্দিন জীৱনৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে। ফলস্বৰূপে পঢ়াৰ সময় আৰু ধৈৰ্য দুয়ো কমি গৈছে। বহুতে গ্ৰন্থক কেৱল পৰীক্ষাৰ সামগ্ৰী হিচাপে গণ্য কৰে; আনন্দ, চিন্তা বা আত্মবিকাশৰ উৎস হিচাপে নহয়। গ্ৰন্থাগাৰৰ ব্যৱহাৰ হ্ৰাস, কিতাপৰ মূল্যবৃদ্ধি, স্থানীয় প্ৰকাশন উদ্যোগৰ সীমাবদ্ধতা আদিয়েও এই সংকটক তীব্ৰ কৰি তুলিছে। এই সংকটৰ প্ৰভাৱ বহুমুখী হ'ব পাৰে। কিতাপ নপঢ়া একোটা প্ৰজন্মই গভীৰ চিন্তা, ভাষাগত দক্ষতা আৰু সমালোচনামূলক বোধ হেৰুৱাৰ আশংকা থাকে। সামাজিক মাধ্যমৰ সংক্ষিপ্ত, ত্বৰিত তথ্যই ধৈৰ্যশীলতাৰে পঢ়াৰ অভ্যাস ধ্বংস কৰে। ইয়াৰ ফলত ব্যক্তিত্ব গঠন, নৈতিকতা আৰু সমাজবোধত নেতিবাচক প্ৰভাৱ পৰে।

আগলৈ...

# নৱবৰ্ষ ২০২৬চন




অনামিকা (সংগীতা)কলিতা, শুৱালকুছি

একে দিন একে ৰাতি পাৰ্থক্য মাত্ৰ দিন/ বাৰ/ ঘন্টা। এগৰাকী ব্যক্তিয়ে মোক ক'লে। তেখেতক ক'লো সেয়াই এক সময়ৰ মাপকাঠি। যান্ত্ৰিকতাৰ জীৱনৰ অকণমান ৰস মাদকতা প্ৰয়োজন। তাকেই অনুভৱ কৰি ১৮৪৩প্ৰথম নৱবৰ্ষৰ গ্ৰীটিংছ কাৰ্ডৰ প্ৰচলন হৈছিল। কিন্তু এতিয়া সেই কাৰ্ডৰ মাদকতা হেৰাই গ'ল। এতিয়া ৰেষ্টুৰেন্ট আদিত পাৰ্টি কৰে। পিকনিক খাবলৈ যায়। এইবাৰ নিউ ইয়াৰ চেলিব্ৰেট কৰাৰ জাক জমকতা অলপ কম।

২০২৬ চন নৱবৰ্ষ আৰম্ভণি আৰু ২০২৫ চন মেলানি মাগিলে।এই বছৰটোত অসমৰ বহু কেইগৰাকী শিল্পী/বিশিষ্ট ব্যক্তিক হেৰুৱালো। বিশেষকৈ সাংস্কৃতিক জগতৰ অপূৰণীয় ক্ষতি। জুবিন গাৰ্গ, দীপক শৰ্মা, জ্ঞানদা কাকতি, হেমন্ত দত্ত আদিৰ দৰে জনপ্ৰিয় গুণৰ ব্যক্তি কেইবাগৰাকীও। তথাপিও সময় ৰৈ নাথাকে গতিশীল সময়ৰ সৈতে সকলো আগবাঢ়িব লাগিব। নৱপ্ৰজন্মক বাট দেখুৱাই নিব লাগিব। সয়য়ে দি যায় অভিজ্ঞতা সেই অভিজ্ঞতাৰে আগুৱাই যোৱাতো আমাৰ কৰ্তব্য।

# শুভ নৱবৰ্ষ

টিংকু বৰা, লখিমপুৰ




মচি পেলোৱা পোহৰৰ গতি ৰুদ্ধ কৰা সেই পথবোৰ,
যিয়ে জীৱনলৈ কঢ়িয়াই আনে
অমানিশাৰ ক'লা ডাৱৰ।
অতীতক পাহৰি যোৱা-
শিক্ষাবোৰ নহয়, কেৱল বেদনাবোৰ।
যোৱাবোৰ মাথোঁ বন্ধ অধ্যায়,
আৰু অহাবোৰ
নতুন যাত্ৰাৰ নিঃশব্দ পাতনি।
মেঘে আৱৰি ৰখা সপোনবোৰে
এতিয়া পাখি মেলিছে,
জিৰণি লৈছে মুকলি আকাশৰ তলত।
নিশাৰ আঁৰত,
জোনাকী পৰুৱা নিঃশব্দে উৰে,
পোহৰৰ দৰে,
পতন আৰু উৰ্ধযাত্ৰাৰ মাজেৰে
প্ৰেম, আশা আৰু সাহস বোৱাই।
নতুন বছৰৰ নৱনীলিম আভাই তোমাক আলোকিত কৰিব,
বতাহৰ সুৰে ক'ব নতুন গল্প,
হৃদয়ৰ আঁৰত লুকাই থকা আশাবোৰ প্ৰজ্বলিত হ'ব,
প্ৰতি ক্ষণে তোমাক শিকাব সাহসৰ নতুন পাঠ।
ভুলে তোমাক ভাঙি নেপেলালে,
বৰঞ্চ তোমাক গঢ়িলে।
কাৰণ তুমি শেষ নহয়-
তুমি এতিয়াও আৰম্ভণি।

JANASANYOG- 3785/25/4-Jan-26

সত্যমেৱ জয়তে
অসম চৰকাৰ
খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ



# খাদ্য সুৰক্ষাৰ পৰা পৰিপুষ্টিৰ নিশ্চিতিলৈ

## অন্ন সেৱা দিন

১ - ১০ জানুৱাৰী



ডঃ হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

## ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনস্থ পৰিয়ালৰ বাবে
## বিনামূলীয়া চাউলৰ লগতে ৰজাৰতকৈ সুলভ মূল্যত খাদ্য-সামগ্ৰী

### 'প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা'ৰ অধীনত বিনামূলীয়া চাউল

- 'অন্ত্যোদয়া অন্ন যোজনা'ৰ অধীনস্থ প্ৰতিটো পৰিয়াললৈ প্ৰতিমাহে ৩৫ কিলোগ্ৰামকৈ চাউল
- অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়ালৰ প্ৰতিগৰাকী ব্যক্তিলৈ প্ৰতিমাহে ৫ কিলোগ্ৰামকৈ চাউল

প্ৰতিমাহে প্ৰতিটো পৰিয়াললৈ ১ কিঃগ্ৰাঃ কৈ ৰজাৰতকৈ সুলভ মূল্যত খাদ্য-সামগ্ৰী



| পূৰ্বৰ নিৰ্ধাৰিত মূল্য | | জানুৱাৰী ২০২৬ ৰ পৰা নিৰ্ধাৰিত মূল্য | | |
|---|---|---|---|---|
| মচুৰ দাইল | চেনি | মচুৰ দাইল | চেনি | নিমখ |
| ৬৯ টকা (প্ৰতি কিঃগ্ৰাঃ) | ৩৮ টকা (প্ৰতি কিঃগ্ৰাঃ) | ৬০ টকা (প্ৰতি কিঃগ্ৰাঃ) | ৩০ টকা (প্ৰতি কিঃগ্ৰাঃ) | ১০ টকা (প্ৰতি কিঃগ্ৰাঃ) |

উপকৃত হোৱা পৰিয়ালৰ সংখ্যা ৭০ লাখৰো অধিক

### সুলভ মূল্যৰ দোকানীৰ কৰণীয়

- অন্ন সেৱা দিন সম্পৰ্কে ব্যাপক প্ৰচাৰ আৰু সজাগতা সৃষ্টি কৰা
- অন্ন সেৱা দিনৰ প্ৰতিটো দিনত দিনজোৰাকৈ দোকান খোলা ৰখা
- হিতাধিকাৰীয়ে লাভ কৰা সামগ্ৰীৰ বিপৰীতে e-POS মেচিনৰ ৰচিদ প্ৰদান কৰা

### হিতাধিকাৰীলৈ আহ্বান

- নিৰ্ধাৰিত মূল্যতকৈ কোনো কাৰণতেই অধিক টকা পৰিশোধ নকৰিব
- প্ৰতিটো সামগ্ৰীৰ বাবে পৃথক পৃথককৈ e-POS মেচিনৰ জৰিয়তে বায়'মেট্ৰিক প্ৰমাণীকৰণ জৰুৰী
- সামগ্ৰী সংগ্ৰহৰ বিপৰীতে e-POS মেচিন সৃষ্ট ৰচিদ গ্ৰহণ কৰিবলৈ নাপাহৰিব

যিকোনো অভিযোগৰ ক্ষেত্ৰত জিলা/সমজিলা/মহকুমাৰ বিভাগীয় কৰ্তৃপক্ষ অথবা টোল ফ্ৰী নম্বৰ:
১৮০০-৩৪৫-৩৬১১ আৰু ১৯৬৭ (BSNL গ্ৰাহক)ত যোগাযোগ কৰক

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি হোৱাটছএপ কৰক

# মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সফলতাৰ এক স্বৰ্ণিল অধ্যায়ঃ ভাৰতৰ অৰ্থনৈতিক মানচিত্ৰত অসমৰ জয়যাত্ৰা



**এহিয়া আহমেদ,বৰথল কছাৰী গাঁও, মৰিগাঁও**

যি সময়ত বিশ্বৰ অর্থনীতি অস্থিৰতাৰ মাজেৰে গতি কৰিছে, সেই সময়ত ভাৰতবর্ষৰ উত্তৰ-পূর্বাঞ্চলৰ প্ৰাণকেন্দ্ৰ অসমৰ পৰা অহা এক সুখবৰে সমগ্ৰ দেশবাসীক আচৰিত কৰি তুলিছে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ তথ্যই স্পষ্ট কৰি দিছে যে যোৱা পাঁচ বছৰত অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (GSDP) ৪৫ শতাংশ বৃদ্ধি পাইছে। এয়া কেৱল এটা চৰকাৰী পৰিসংখ্যা নহয়, বৰঞ্চ ই এক অর্থনৈতিক বিপ্লৱৰ ঘোষণা। এই বিপ্লৱৰ মূল খনিকৰ হ'ল অসমৰ প্ৰজ্ঞা সম্পন্ন আৰু দুৰদর্শী মুখ্যমন্ত্রী সন্মানীয় ড° হিমন্ত বিশ্ব শৰ্মা। তেওঁৰ বলিষ্ঠ নেতৃত্বত অসমে আজি নিজৰ পৰিচয় “সম্ভাৱনাপূর্ণ ৰাজ্য”ৰ পৰা“সফল ৰাজ্য” লৈ ৰূপান্তৰিত কৰিছে।

যোৱা পাঁচ বছৰত অসমৰ অর্থনীতিৰ আটাইতকৈ উল্লেখনীয় দিশটো হ'ল বিত্তীয় শৃংখলা। ড° শৰ্মা ডাঙৰীয়া বিত্তমন্ত্রী হিচাপে থকা কালৰে পৰা যি সংস্কাৰ আৰম্ভ কৰিছিল, মুখ্যমন্ত্রী হিচাপে তাক এক নতুন মাত্ৰা প্ৰদান কৰিছে। চৰকাৰী ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত প্ৰযুক্তিৰ ব্যৱহাৰ আৰু কৰ ফাকি ৰোধ কৰাৰ ফলত ৰাজ্যৰ নিজস্ব আয় বহু পৰিমাণে বৃদ্ধি পাইছে। ৪৫ শতাংশ বৃদ্ধিৰ অৰ্থ হ'ল ৰাজ্যখনৰ সম্পদ উৎপাদনৰ ক্ষমতা বৃদ্ধি পাইছে আৰু ৰাজ্যখনে ধাৰাবাহিকভাৱে ১১-১২ শতাংশ বাৰ্ষিক হাৰত উন্নতি কৰিছে।

অসমৰ উদ্যোগ খণ্ডত ড° হিমন্ত বিশ্ব শৰ্মাৰ আটাইতকৈ ডাঙৰ সফলতা হ'ল বিশ্বৰ আগশাৰীৰ উদ্যোগিক গোষ্ঠী সমূহক অসমলৈ আকৰ্ষিত কৰা। জাগীৰোডত টাটা গোষ্ঠীৰ ২৭, ০০০ কোটি টকাৰ ছেমিকণ্ডাক্টৰ প্ৰকল্প স্থাপনৰ সিদ্ধান্ত অসমৰ ইতিহাসৰ আটাইতকৈ ডাঙৰ উদ্যোগিক বিনিয়োগ। ই কেৱল নিযুক্তি দিয়াই নহয়, অসমক বিশ্বৰ উচ্চ-প্ৰযুক্তিৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিব।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত স্থাপন কৰা উদ্যোগিক পাৰ্ক আৰু ‘ইজ অফ ডুইং বিজনেছ’ (Ease of Doing Business) নীতিৰ ফলত স্থানীয় আৰু বহিঃৰাজ্যৰ বিনিয়োগকাৰীসকলৰ বাবে অসম এক স্বৰ্গোদপত পৰিণত হৈছে।

অসমৰ পৰিচয় চাহ উদ্যোগক সুৰক্ষা দিবলৈ চৰকাৰে গ্ৰহণ কৰা বিশেষ সাহায্য আঁচনি আৰু চাহ শ্ৰমিকসকলৰ মজুৰি বৃদ্ধি তথা কল্যানমূলক কামে এই খণ্ডটোক নতুন প্ৰাণ দিছে।

অৰ্থনৈতিক বিকাশৰ মূল ভেটি হ'ল উন্নত আন্তঃগাঁথনি। ড° শৰ্মাৰ কাৰ্যকালত অসমৰ পৰিবহন ব্যৱস্থাৰ আমূল পৰিবৰ্তন হৈছে। গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং, মাজুলী-যোৰহাট সংযোগী দলং আৰু ধুবুৰী-ফুলবাৰী দলঙৰ দৰে বৃহৎ প্ৰকল্পসমূহে অসমৰ ভৌগোলিক দূৰত্ব নাইকিয়া কৰিছে। গাঁৱে-ভুঁঞে পকী পথৰ জাল বিস্তাৰ কৰাৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথ সমূহক ৪-লেন আৰু ৬-লেন যুক্ত কৰাৰ কাম ক্ষিপ্ৰগতিত চলিছে। গুৱাহাটীক “দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ” হিচাপে গঢ়ি তুলিবলৈ উৰণীয়া সেতু, পাৰ্ক আৰু স্মাৰ্ট

*(বাৰপৃষ্ঠাত চাওক)*

# স্বাগতম ২০২৬

আমাৰ জীৱন হ'ল সুখদুখৰ সমাহাৰ। এনে কোনো মানুহ আজিলৈকে চকুত পৰা নাই যাৰ জীৱন সকলো ফালেই পূৰ্ণ বা যাক সম্পূৰ্ণ নিখুঁট বুলি কব পৰা যায়। আচলত নিখুঁত বুলিবলৈ একোৱেইনাই। হাঁহি মুখীয়া চেহেৰাৰ আঁৰত মানুহে লুকুৱাই ৰাখে একোখন অচিন পৃথিৱী। দুখ যন্ত্ৰণাৰে ভৰা সেই স্বপ্ন ভংগৰ পৃথিৱীখন আচলতে আমাৰ প্ৰায়ভাগৰে অপৰিচিত নহয়। জীৱনৰ হাঁহি-কান্দোন, আশা - নিৰাশা, স্বপ্ন দেখা আৰু স্বপ্ন - ভংগৰ মাজৰ সুক্ষ্ম ৰেখাডালৰ সীমাৰ পৰিধি চিনিবলৈ আমি শিকিব লাগিব। তাৰ মাজেৰেই আমি আমাৰ জীৱনবোৰ ভালদৰে সজাই আগুৱাই যাব লাগিব। কাৰণ জীৱনটো বৰ ধুনীয়া। আমি ভাবিব নোৱাৰাকৈ জীৱন সকলোতকৈ উৰ্দ্ধত। আজিৰ যান্ত্ৰিক সময়ৰ, যান্ত্ৰিক পৃথিৱীখনত আমি সকলো যেন কোঙা হৈ পৰিছোঁ। প্ৰতিযোগিতাৰ দৌৰখনত আমি হেৰাই যোৱাৰ উপক্ৰম হৈছে। তাৰোপৰি বৰ্তমান আমিবোৰে একপ্ৰকাৰ বন্দীত্বৰ জীৱন কটাই আছো বুলিও কব পৰা যায়। আমাৰ সেই বন্দীত্ব সামাজিক মাধ্যমৰ। আমি এতিয়া ইজনে সিজনৰ লগত মুখামুখিকৈ কথা নাপাতোঁ। কথা পাতো হোৱাটছএপ, ফেচবুক, ইনষ্টাগ্ৰামত। জন্মদিন হওক বা আন কিবা শুভ দিনেই হওক, দেশবিদেশ ভ্ৰমণৰ বা কাৰোবাৰ মৃত্যুৰ খবৰেই হওক, সকলোবোৰ জনাৰ এতিয়া একমাত্ৰ উপায় হ'ল আমাৰ হাতৰ ম'বাইলটো। আটাইতকৈ বেয়া লগা কথাটো হ'ল ঘৰত দুই - তিনিখন গাড়ী থকা স্বত্বেও যিকোনো অজুহাতত কাৰোবাৰ মৃত্যুতো আমাৰ খবৰ লবলৈ যাবলৈ অসুবিধা হয়। ‘RIP’ ৰ দৰে “চৰ্ট কাট” আছেই যেতিয়া। মুঠতে আমাৰ সুখ-দুখ, আনন্দ- নিৰানন্দ, হাঁহি - কান্দোন এই সকলোবোৰৰ কাৰণে বৰ্তমান আমি নিৰ্ভৰশীল আমাৰ হাতৰ ম'বাইলটোৰ ওপৰতহে। সামাজিক মাধ্যমৰ প্ৰয়োজনীয়তা বা সকাৰাত্মকতা নাই বুলি কব খোজা নাই, কিন্তু ইয়ে মানুহৰ মাজত এক দূৰত্ব আনিছে, মানুহৰ মাজৰ সম্পৰ্কৰ আবেগ- অনুভূতিৰ যি উষ্ণতা সেয়া যে হ্ৰাস হৈছে, সেই কথা এশ শতাংশই সচা সকলোৱে এই কথা অলপ দকৈ ভাবি চোৱাৰ থল আছে। কেৱল খাই বৈ জীয়াই থকাকে জীয়াই থকা বুলি নকয়। জীৱনটো আটক ধুনীয়াকৈ সজাই লবলৈ আমাৰ মনৰ মাজত লাগিব তীব্ৰ হেঁপাহ আৰু আৰু নিজৰ বুলিবলৈ অলপ সময়। আমাৰ মানসিক আৰু শাৰীৰিক সকলো প্ৰকাৰৰ উত্তৰণৰ চেষ্টা আমি কৰিব লাগিব। নিজে ভালপোৱা কামবোৰ কৰিবলৈ সময় উলিয়াব লাগিব। নিজকে সুখী কৰিব লাগিব। নিজে সুখী হলেহে আমি আনকো সুখী কৰিব পাৰিম। হেৰাই যাবলৈ ধৰা আমাৰ সম্পৰ্কবোৰক পুনৰ উষ্ণ আমেজেৰে ভৰাই তুলিব পাৰিম। সময়ে আমাক যিমানেই ব্যস্ত কৰি নোতোলেক কিয়, এটা সময়ত আমি ভাগৰি পৰিমেই। জীৱনৰ এনে কিছুমান একাকী মুহূৰ্তত আমাক প্ৰয়োজন হব এনে সংগীৰ যাৰ হাতত হাত থৈ আমি আগুৱাই যাব পাৰোঁ, যাৰ কান্ধত মূৰ থৈ আমি দিনটোৰ ভাগৰ পাহৰিব পাৰোঁ, যাৰ সন্মুখত আমাৰ সকলো কথা আমি নিসংকোচে খুলি কব পাৰোঁ।

জীৱনটোৰ প্ৰতি আমি কৃতজ্ঞ হোৱা উচিত এই কথা ভাবি যে আমি কিমান ভাগ্যৱান যি কাৰণে এই ধুনীয়া পৃথিবীখনত খোজ দিবলৈ সুযোগ পাইছোঁ। আমি একোটা ধুনীয়া পৰিয়াল, বন্ধু-বান্ধৱীৰে পৰিপূৰ্ণ জীৱন পাইছোঁ। কেতিয়াবা ভাবি চাবচোন পুহমহীয়া জাৰত কিমান মানুহে ৰাতি ফুটপাথত শুইছে, ডাষ্টবিনৰ পৰা উচিষ্ট বুটলি পেটৰ ভোক নিবাৰণ কৰিছে, কিমান অসহায় পিতৃ মাতৃয়ে বৃদ্ধাশ্ৰমত বহি নিজৰ সন্তানৰ মুখ এবাৰ চাবলৈ অপেক্ষা কৰি আশাৰ ক্ষণ গনিছে। আনৰ দুখ বোৰ অনুভৱ কৰিব পাৰিলেহে আমি আমাৰ আপুৰুগীয়া জীৱনৰ সুন্দৰতাৰ কথা অনুভৱ কৰিব পাৰিম।

এইবছৰটোত আমি বহুজন বিশিষ্ট ব্যক্তিক হেৰুৱালোঁ। এয়া অতি পৰিতাপৰ কথা যে আমাৰ সকলোৰে হিয়াৰ আমঠু, অসমৰ ৰত্ন জুবিন গাৰ্গকো আমি হেৰুৱালোঁ। এই সকল পুন্যাত্মাৰ আত্মাৰ শান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

তাৰে মাজতে আনন্দ-উল্লাসৰ মাজেৰে ২০২৫ ক বিদায় দিয়াৰ সমান্তৰাল ভাবে ২০২৬ বৰ্ষক আদৰিবলৈ সাজু হৈছে বিশ্ববাসী। বিভিন্ন অনুষ্ঠান, বিভিন্ন সুস্বাদু খাদ্য সম্ভাৰ, নৃত্য - গীতৰ আয়োজন কৰি আপোনজনৰ সৈতে সুখৰ সময় কটাবলৈ বিভিন্ন পৰিকল্পনা কৰা হৈছে। কিন্তু এইখিনিতে এটা কথা উনুকিয়াই থোৱাটো উচিত বুলি ভাবোঁ যে নব বৰ্ষক আদৰিবলৈ গৈ যাতে পৃথিৱীখন আৰু ইয়াৰ প্ৰকৃতি, গছ-গছনি, পশু-পক্ষীৰ প্ৰতি জীৱশ্ৰেষ্ঠ মানুহে গুৰুত্বহীন মানসিকতা প্ৰদৰ্শন নকৰে। উচ্চ স্বৰত মিউজিক বজাই, ফটকা আতচবাজীৰে পৰিৱেশ মুখৰ কৰি, মাছ- মাংসৰে এসাজ দকছি খাই উচিষ্ট আৰু প্লাষ্টিক আৱৰ্জনা য'তে ত'তে পেলাই নিজৰ কৰ্তব্য সামৰি নথয়। সময়ৰ পৰিৱৰ্তন সকলোৰে বাবে। কিন্তু জীৱ-জন্তু, চৰাই-চিৰিকটিয়ে এই পৰিৱৰ্তনৰ সৈতে মানুহৰ অন্যায় নকৰে। এই কথা আমি সকলোৱে মনত ৰখা উচিত যে, সকলোৱে সহ্য কৰিলেও প্ৰকৃতিয়ে মানুহৰ এই উচ্ছৃংখলতা কেতিয়াও সহ্য নকৰে। ইতিমধ্য প্ৰকৃতিৰ ৰুদ্ৰ মূৰ্তিৰ প্ৰমাণ আমি সকলোৱে পাই থকা স্বত্তেও যদি আমি ইয়াক গুৰুত্ব সহকাৰে নলও তেতিয়াহলে ইয়াৰ পৰিণাম ভুগিবলৈ আমি সাজু হব লাগিব। নৱবৰ্ষৰ দিনা মন্দিৰে - মছজিদে গৈ সকলো অমঙ্গল দূৰ কৰিবলৈ ভগৱানৰ ওচৰত মূৰ দোৱালেই ভগৱানে সকলো ভাল কৰি দিবনে? এনেদৰে ভগৱান সন্তুষ্ট হবনে? সকলোকে ফাকি দিলেও নিজক কেতিয়াও ফাকি দিব নোৱাৰি। এই কথা এতিয়া আমি সকলোৱে বুজিবৰ হ'ল।

নৱবৰ্ষ পালন হওক কেৱল হাঁহি আৰু আনন্দৰ মাজেৰে। জীৱনৰ প্ৰতি নিষ্ঠা আৰু ভগৱানৰ প্ৰতি পৱিত্ৰ উপাসনাৰ মাজেৰে। য'ত নাথাকিব প্ৰকৃতি আৰু পৰিৱেশৰ প্ৰতি কোনো ভাবুকি। প্ৰকৃতি আৰু পৰিৱেশ সুস্থ হৈ থাকিলেহে আমাৰ জীৱন থাকিব আৰু প্ৰতিটো বছৰত নৱবৰ্ষ উদযাপনৰ আনন্দও থাকিব।

বয়স বাঢ়ি অহাৰ লগতে ক্ৰমবৰ্দ্ধমান অভিজ্ঞতাৰে এই কথা অনুভৱ কৰিব ধৰিছো যে নতুন বছৰ মানেই সকলো নতুন নহয়। নতুন বছৰে জীৱনলৈ যে কিবা এক অলৌকিক পৰিৱৰ্তন আনিব সেয়াও আশা নকৰোঁ। নতুন বছৰ মানে জীৱন সলনি কৰা নহয়, বৰঞ্চ জীৱনৰ সৈতে আমাৰ সম্পৰ্ক বোৰক অধিক শক্তিশালী কৰাৰ প্ৰয়াসহে। আৰু এয়াই আমি নতুন বছৰটোক লৈ আশাবাদী হোৱাৰ আটাইতকৈ ডাঙৰ কাৰণ।

শেষত ব্ৰেড পেইজলিৰ শ্ৰেষ্ঠ উক্তি এষাৰিৰে কওঁ- “কাইলৈৰ পৰা আপোনাৰ সন্মুখত ৩৬৫ পৃষ্ঠাৰ কিতাপ এখনৰ প্ৰথম খালী পৃষ্ঠা। ভালকৈ লিখিবলৈ চেষ্টা কৰক।”

নতুন বছৰে আপোনালোকৰ হৃদয় পোহৰাই তোলক। দিনবোৰ উজ্জ্বল হওক। নতুন বছৰটোৱে সকলোৱে জীৱনলৈ কঢ়িয়াই আনক সুখ - সমৃদ্ধি আৰু আনন্দ! সকলোলৈ নব বৰ্ষৰ শুভ কামনা জ্ঞাপন কৰিলোঁ।

স্বাগতম ২০২৬!

# ২২টা সমষ্টিত নতুন প্ৰাৰ্থীক

স্বাভাৱিকতে সৃষ্টি কৰিছে খেলিমেলি। বাজপেয়ী ভৱনত অনুষ্ঠিত বিজেপিৰ ৰুদ্ধদ্বাৰ বৈঠকত প্ৰাৰ্থী তালিকা সন্দৰ্ভতো বিস্তৃত আলোচনা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ উপৰিও এই বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজু, নিৰ্বাচনী প্ৰভাৰী বৈজয়ন্ত জয় পাণ্ডা, ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিবেদী, সহঃপ্ৰভাৰী দৰ্শনা জৰ্দোশ উপস্থিত আছিল। কেইবাজনো শীৰ্ষ নেতাৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকতে সম্ভাব্য দলীয় প্ৰাৰ্থীৰ ক্ষেত্ৰত এলানি নীতি গ্ৰহণ কৰাৰো সিদ্ধান্ত লোৱা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই সন্দৰ্ভত কয়- প্ৰত্যেকগৰাকী বিজেপি বিধায়কে টিকট পাব বুলি নিশ্চয়তা কোনেও দিব নোৱাৰে। পাঁচ বছৰৰ কাৰণে বিধায়ক হয়, পিছৰ পাঁচ বছৰৰ জনপ্ৰিয়তাৰ ওপৰততহে দলে টিকট দিয়ে। বিজেপিত প্ৰাৰ্থিত্বৰ বাবে আবেদনৰ ব্যৱস্থা নাই। গতিকে বুথ কমিটীয়ে ৰাজ্যিক নিৰ্বাচনী কমিটীলৈ যি প্ৰাৰ্থী তালিকা প্ৰেৰণ কৰিব, ৰাজ্যিক নিৰ্বাচনী কমিটীয়ে প্ৰতিটো সমষ্টিৰ বিপৰীতে অহা ২-৩টা প্ৰাৰ্থীৰ নাম দলৰ সংসদীয় ব'ৰ্ডলৈকে প্ৰেৰণ কৰা হয়। সংসদীয় ব'ৰ্ডে সভাত তালিকা প্ৰস্তুত কৰে। সংসদীয় ব'ৰ্ডৰ সভাত কি সিদ্ধান্তগ্ৰহণ কৰে সেয়া দুমাহ আগতে কোনেও ক'ব নোৱাৰে। মুখ্যমন্ত্ৰীয়ে ইয়াকো স্পষ্ট কৰে যে এইবাৰ ২২টা সমষ্টিত নতুন মুখক প্ৰাধান্য দিয়া হ'ব পুৰণি বিধায়কৰ নাম নকটাকৈ। ১০৩টা সমষ্টিত আমি প্ৰতিদ্বন্দ্বিতা কৰিম বুলি যি ঘোষণা কৰিছিলোঁ, সেই ১০৩টা সমষ্টিৰ ভিতৰতে ২২টা নতুন সমষ্টি আছে। গতিকে ১০৩জন প্ৰাৰ্থীৰ ভিতৰত ২২জনক আমি নতুনকৈ প্ৰাৰ্থিত্ব প্ৰদান কৰিব পাৰিম। যদি কিবা কাৰণত ১০জন বিধায়ক পৰিৱৰ্তনো হয়, তেন্তে এই সংখ্যা ৩২জনলৈ বৃদ্ধি হ'ব। এইবাৰ আমাৰ হাতত আসন বেছি আছে। গতিকে নতুন প্ৰাৰ্থীক আমি সুযোগ দিম। ইফালে মুখ্যমন্ত্ৰীয়ে একাংশ বিধায়কৰ টিকট কৰ্তনৰ সম্ভাৱনাকো উল্লেখ কৰা বিষয়টোৱে দলৰ ভিতৰচ'ৰাত কোন কোন বিধায়কৰ টিকট কৰ্তন হ'ব, তাক লৈও যথেষ্ট চৰ্চা চলিছে। এনে চৰ্চাৰ মাজতে অহা ২৯ জানুৱাৰীত পুনৰ অসমলৈ আহিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। কেইবাটাও চৰকাৰী কাৰ্যসূচীৰে অসমলৈ আহিবলগা গৃহমন্ত্ৰী অমিত শ্বাহে এই ভ্ৰমণতে দলীয় প্ৰাৰ্থী সন্দৰ্ভত আৰু অগপ, বিপিএফ, ইউপিপিএলৰ সৈতে মিত্ৰতাৰ প্ৰসংগতো আলোচনাত বহাৰ সম্ভাৱনা আছে। উল্লেখ্য যে বাজপেয়ী ভৱনত অনুষ্ঠিত বিজেপিৰ বৈঠকত অহা ১৭-১৮ জানুৱাৰীত অসমলৈ আহিবলগা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভ্ৰমণ সন্দৰ্ভতো বিস্তৃত আলোচনা হয়। এই বৈঠকতে নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যিক বিজেপিয়ে গ্ৰহণ কৰিবলগীয়া বিভিন্ন কাৰ্যসূচী সন্দৰ্ভতো আলোচনা হয়। সেইমৰ্মে অহা ৫ জানুৱাৰীৰ পৰা বিজেপিয়ে সমগ্ৰ ৰাজ্যতে দলৰ চিহ্ন আঁকি বিভিন্ন শ্লোগানেৰে ৱাল পেইন্টিং কৰিব। সমান্তৰালভাৱে সম্ভাব্য নিৰ্বাচনৰ তাৰিখৰ প্ৰতি লক্ষ্য ৰাখি অসমলৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ কোন কোন নেতাক আমন্ত্ৰণ কৰিব, দলৰ মিত্ৰতাৰ প্ৰসংগ, প্ৰাৰ্থীৰ তালিকাৰ বিভিন্ন দিশ সন্দৰ্ভতো বৈঠকত বিস্তৃত আলোচনা হয়।

# ২০ ফেব্ৰুৱাৰীত অৰুণোদয়

টকাকৈ প্ৰদান কৰা হ'ব। যিসকলে অৰুণোদয় আঁচনিৰ ধন লাভ কৰি আছে, সেইসকল হিতাধিকাৰীক জানুৱাৰী মাহত অৰুণোদয়ৰ ধন প্ৰদান কৰা নহয়। ফেব্ৰুৱাৰী মাহত একেলেগে ৮ হাজাৰ টকা আগতীয়াকৈ ব'হাগ বিহুৰ উপহাৰ হিচাপে বেংক একাউণ্টত জমা কৰা হ'ব। উল্লেখ্য যে অৰুণোদয় আঁচনিৰ ধন জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ আৰু এপ্ৰিল মাহৰ পৰিৱৰ্তে একেলগে ২০ ফেব্ৰুৱাৰীত ৮ হাজাৰ টকাকৈ লাভ কৰিব হিতাধিকাৰীয়ে। এই চাৰি মাহৰ অৰুণোদয়ৰ ধনৰ লগতে অতিৰিক্ত তিনি হাজাৰ টকা হিতাধিকাৰীয়ে লাভ কৰিবলৈ সক্ষম হ'ব। মে' মাহৰ পৰা পুনৰ পূৰ্বৰ দৰেই ১, ২৫০ টকাকৈ অৰুণোদয়ৰ ধন লাভ কৰিব। ইফালে মুখ্যমন্ত্ৰীয়ে জ্যেষ্ঠ নাগৰিকসকলক প্ৰদান কৰি অহা ২৫০ টকাৰ বৃদ্ধ পেঞ্চন ৪০০ টকালৈ বৃদ্ধি কৰাৰ কথা ঘোষণা কৰে। জানুৱাৰী মাহৰ পৰা এই বৰ্ধিত হাৰত পেঞ্চন লাভ কৰিব জ্যেষ্ঠ নাগৰিকসকলে। সত্ৰৰ উদাসীন ভকতসকলে মাহত ১, ৫০০ টকাকৈ এক সন্মানৰাশি লাভ কৰিব। আনহাতে যুৱকসকলৰ বাবে নৱবৰ্ষৰ পহিলা দিনটোত বিশেষ আঁচনি ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বিগত বছৰবোৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহিলাৰ বাবে হিতাধিকাৰী আঁচনিত গুৰুত্ব দি আহিছিল। নিযুত মইনা, লাখপতি বাইদেউৰ পৰা মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনি লৈ মহিলাকেন্দ্ৰিক হিতাধিকাৰী আঁচনিৰে ইতিমধ্যে উপচাই পেলাইছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰে। কিন্তু এইবাৰ আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে ল'ৰা শিক্ষাৰ্থীসকলোকো সামৰি মুখ্যমন্ত্ৰীগৰাকীয়ে নৱবৰ্ষৰ পহিলা জানুৱাৰীত ঘোষণা কৰিলে 'বাবু' শীৰ্ষক বিশেষ নতুন আঁচনি। 'বাবু' আঁচনি ঘোষণা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ল'ৰা শিক্ষাৰ্থীক আমি প্ৰদান কৰা প্ৰতিশ্ৰুতিৰ পূৰণ কৰিব পাৰি আনন্দিত হৈছোঁ। পহিলা ফেব্ৰুৱাৰী মাহৰ পৰা 'বাবু আঁচনি'ৰ অধীনত প্ৰথমে যোগ্য বিবেচিত স্নাতকোত্তৰ পঢ়ি থকা ল'ৰা শিক্ষাৰ্থীসকলক প্ৰতিমাহে ২, ০০০ টকা আৰু স্নাতক শিক্ষাৰ্থীসকলক প্ৰতিমাহে ১, ০০০ টকাকৈ তেওঁলোকৰ উচ্চ শিক্ষা আগবঢ়াই নিয়াত সহায়ক হোৱাকৈ প্ৰদান কৰা হ'ব। উল্লেখ্য যে যিবিলাক পৰিয়ালৰ বাৰ্ষিক উপাৰ্জন ৪ লাখৰ তলৰ, সেইসকলেহে লাভ কৰিব 'বাবু আঁচনি'ৰ ধন।

# জুবিনৰ গোচৰৰ বাবে ১২ জানুৱাৰীত

অসমত সৃষ্টি হোৱা পৰিৱেশ আৰু এনে কঠিন পৰিৱেশৰ মাজত আৰক্ষীয়ে তিনি মাহৰ ভিতৰতে গোটেই ঘটনাৰ তদন্ত কৰি আদালতত দাখিল কৰা অভিযোগনামা নিশ্চিতভাৱে ২০২৫ চনৰ এক গুৰুত্বপূৰ্ণ ঘটনাৱলী হৈ ৰ'ব। ৰাইজৰ আৱেগ-মৰ্মৰ্মক সন্মান জনাই ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় যাতে বাস্তৱসন্মত হ'ব পাৰে, নিৰ্দিষ্ট সময়ৰ ভিতৰত হ'ব পাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে অহা ১২ জানুৱাৰীৰ পৰা এজন বিশেষ চৰকাৰী অধিবক্তা নিয়োগ কৰিব। ইয়াৰ বাবে গুৱাহাটীৰ ৩-৪জন জ্যেষ্ঠ অধিবক্তাৰ সৈতে আলোচনা কৰি থকা হৈছে। অহা ৫-৬ জানুৱাৰীৰ ভিতৰত বিশেষ চৰকাৰী অধিবক্তাজনৰ নাম ঘোষণা কৰিব পাৰিম। চৰকাৰী অধিবক্তা নিযুক্তিৰ পাছতে চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক এখন বিশেষ আদালতৰ বাবে য'ত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰটোৰহে বিচাৰ চলিব, তেনে আদালতৰ বাবে আবেদন জনাব। আনহাতে জুবিন গাৰ্গৰ অন্তিম ছবি 'ৰৈ ৰৈ বিনালে'ই চিনেমা হলৰ পৰা ৩২ কোটি টকা আহৰণ কৰিছে। এই ৩২ কোটি টকাৰ বিপৰীতে ৰাজ্য চৰকাৰে লাভ কৰা ২.৯০ কোটি জিএছটিৰ ধন কলাগুৰু ফাউণ্ডেচনক হস্তান্তৰ কৰা হ'ব বুলি উল্লেখ কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে, বক্স অফিচত ৩২ কোটিৰো অধিক টকা উপাৰ্জন কৰা এই ছবিখনে অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ বাবে এক নতুন মাপকাঠীৰ সৃষ্টি কৰিছে। তেওঁ কয় যে এই ছবিখনৰ পৰা জি এছ টিৰ অংশ জুবিন গাৰ্গে স্থাপন কৰা ফাউণ্ডেচনক জমা দিয়া হ'ব। ইতিমধ্যে উক্ত পুঁজিখিনি বিত্ত বিভাগে মোকলাই দিছে।

# অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ প্ৰদীপ মহন্তৰ মৃত্যু



ৰঙিলী বাৰ্তাসেৱা- অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা গুৱাহাটীৰ জোৰ পুখুৰীৰ বাসিন্দা ডঃ প্ৰদীপ কুমাৰ মহন্তৰ ৬৬ বছৰত ১ জানুৱাৰী, ২০২৬ চনৰ সন্ধিয়া দেহাৱসান ঘটে। গুৱাহাটীৰ পুৰশৰণীয়া নিবাসী ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ সচিব প্ৰয়াত মহেশ্বৰ মহন্তৰ চতুৰ্থ সন্তান প্ৰদীপ কুমাৰ মহন্তই কটন কলেজিয়েট স্কুলৰ পৰা সুখ্যাতিৰে প্ৰবেশিকা পৰীক্ষাত উৰ্ত্তীৰ্ণ হয়। তাৰ পিছত কটন কলেজৰ পৰা উচ্চতৰ মাধ্যমিকত পৰীক্ষাত উৰ্ত্তীৰ্ণ হয় আৰু ৰৌৰকেল্লাৰ পৰা ইঞ্জিনীয়াৰিংৰ স্নাতক হয় আৰু পিছত স্নাতকোত্তৰ ডিগ্ৰীৰ পিছত পি এইছ ডি ডিগ্ৰী লাভ কৰে। তেওঁ যোৰহাট ইঞ্জিনিয়াৰিং কলেজ আৰু অসম ইঞ্জিনিয়াৰিঙ কলেজৰ এইচঅদি (HOD) হিচাবেও কাৰ্যনিৰ্বাহ কৰিছিল। ইলোৰা বিজ্ঞান মঞ্চৰ সক্ৰিয় সদস্য আছিল ডঃ মহন্তই মৃত্যুৰ সময়ত পত্নী ডাঃ পদ্মিনী মহন্ত, দুগৰাকী কন্যা, জোঁৱাই আৰু নাতি নাতিনী এৰি থৈ যায়।

# অসমৰ কৰ্কট

আৰু মাদ্ৰাজ এপ'লতহে আছে। কোনো চৰকাৰী চিকিৎসা প্ৰতিষ্ঠানত এই মেচিন এতিয়াও উপলব্ধ হোৱা নাই। কেঞ্চাৰ চিকিৎসাৰ ক্ষেত্ৰত প্ৰ'টন থেৰাপী মেচিন যথেষ্ট গুৰুত্বপূৰ্ণ। ৫০০ কোটি টকা ব্যয়েৰে এই মেচিন ৰাজ্য চৰকাৰে ক্ৰয় কৰিব। মুখ্যমন্ত্ৰীয়ে কয়- এই ৫০০ কোটি টকাৰ ধনৰাশি সংগ্ৰহ কৰিবলৈও বিশেষ পদক্ষেপ লৈছে চৰকাৰে। সেই অনুসৰি চিএছআৰৰ পৰা ৫০ কোটি টকা, ক'ভিডৰ সময়ত ৰাইজে দান দিয়া ৫০ কোটি টকা, বিশ্ব বেংকে প্ৰদান কৰিব ২৫০ কোটি টকা, বাকী ধনৰাশি ৰাজ্যৰ বাজেটৰ পৰা সংগ্ৰহ কৰা হ'ব। এইক্ষেত্ৰত প্ৰ'টন থেৰাপী মেচিন ক্ৰয় কৰা অসমেই হ'ব প্ৰথম ৰাজ্য। এই মেচিনৰ আগমনে অসম স্বাস্থ্য, পৰ্যটন ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰিবলৈ সক্ষম হ'ব। ইফালে মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে যে ৰাজ্যৰ আন্তঃগাঁথনি উন্নয়নৰ দিশেৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কেইবাটাও প্ৰকল্পৰ মাজত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল (জিএমচিএইচ) ৰ পুৰণি বিল্ডিং নতুনকৈ নিৰ্মাণৰো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সেই অনুসৰি জিএমচিএইচক ২, ২০০ কোটি টকা ব্যয়সাপেক্ষে এক নতুন ৰূপ দিয়া হ'ব।

# অসমত গঠন হ'ব

দৰমহা দিবৰ বাবে দেশৰ কোনো এখন ৰাজ্য চৰকাৰে এনেদৰে অষ্টম দৰমহা আয়োগ গঠন কৰা অসমেই প্ৰথমখন ৰাজ্য হ'ব।' লক্ষণীয় যে ৩১ ডিচেম্বৰ ২০২৫ত অষ্টম দৰমহা আয়োগৰ ম্যাদ শেষ হৈছে। প্ৰতি দহ বছৰৰ মূৰে মূৰে চৰকাৰী কৰ্মচাৰীসকলৰ বাবে চৰকাৰে নতুন দৰমহা আয়োগৰ পৰামৰ্শ অনুসৰি দৰমহা বৃদ্ধি কৰিব লাগে। অসম চৰকাৰৰ প্ৰাক্তন অতিৰিক্ত মুখ্য সচিব সুভাষ চন্দ্ৰ দাসৰ অধ্যক্ষতাত গঠন হোৱা অষ্টম দৰমহা আয়োগৰ সিদ্ধান্তক উষ্ম আদৰণি জনাইছে সদৌ অসম কৰ্মচাৰী পৰিষদে। এক বিজ্ঞপ্তিত সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মা আৰু সম্পাদক প্ৰধান পংকজ বৰ্মনে অসমৰ শিক্ষক, কৰ্মচাৰী সমাজৰ দীৰ্ঘদিনীয় আশা-আকাংক্ষা অষ্টম দৰমহা আয়োগৰ প্ৰতিবেদনত প্ৰতিফলিত হ'ব বুলি আশা প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ দৰে সকলো সা-সুবিধাকে ধৰি অন্যান্য ব্যৱস্থা এই প্ৰতিবেদনত প্ৰতিফলন হ'ব লাগিব বুলিও আশা কৰিছে সংগঠনটোৰ বিষয়ববীয়া দুগৰাকীয়ে। তেওঁলোকে কয় যে চলিত বৰ্ষৰ এক জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ কম সময়ৰ ভিতৰত প্ৰতিবেদন কাৰ্যকৰী কৰিব লাগিব। বিবৃতিটোত পুনৰ কোৱা হয় যে পূৰ্বৰ দৰমহা আয়োগৰ আসোঁৱাহসমূহ সমাধান হ'ব লাগিব। তেওঁলোকে বিজ্ঞপ্তিযোগে কয়, আমি আশা কৰিম যে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ সমহাৰত নহয় সমপৰ্যায়ত প্ৰতিবেদন প্ৰস্তুত কৰিব।

# ১১ ফেব্ৰুৱাৰীত সম্পন্ন

সেই তালিকা অনুসৰি মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ৯ ফেব্ৰুৱাৰীত চতুৰ্থ শ্ৰেণীৰ পদত ৭৫৬জন প্ৰাৰ্থীক নিযুক্তি দিয়াৰ বিপৰীতে ১০ ফেব্ৰুৱাৰীত তৃতীয় শ্ৰেণীৰ পদত ২২৫গৰাকী প্ৰাৰ্থীক নিযুক্তি দিব। নিযুক্তি হ'বলগা এই পদসমূহৰ ৩ শতাংশ পদত চাহ বাগিচাৰ প্ৰাৰ্থীসকলক নিযুক্তি দিয়া হ'ব। ইফালে চাহ বাগিচাৰ আদৰ্শ বিদ্যালয়ত সংগীত শিক্ষক নিযুক্তি প্ৰদান কৰা হৈছে। চাহ বাগিচা আদৰ্শ বিদ্যালয়ত আৰম্ভ হৈছে সাংস্কৃতিক প্ৰতিযোগিতা। ৭ জানুৱাৰী পৰ্যন্ত চলিব এই প্ৰতিযোগিতা। সমান্তৰালকৈ জিলা আৰু ৰাজ্যিক পৰ্যায়তো চলিব এই প্ৰতিযোগিতা। বৰ্তমানে ১১৮খন চাহ বাগিচা আদৰ্শ বিদ্যালয় আছে ৰাজ্যত আৰু এইপৰ্যন্ত ২২ গৰাকী সংগীত শিক্ষক নিযুক্তি দিয়া হৈছে। হান্স ফাউণ্ডেচনৰ জৰিয়তে নিযুক্তি দিয়া এই শিক্ষকসকলক উক্ত অনুষ্ঠানটোৱে দৰমহা আদায় দিব। মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজায়ে প্ৰকাশ কৰা অনুসৰি ২০২২ চনত চাহ বাগিচাত স্থাপন কৰা হৈছিল আদৰ্শ বিদ্যালয়। প্ৰথম অৱস্থাত এই আদৰ্শ বিদ্যালয়ত আছিল ১৬ হাজাৰ শিক্ষাৰ্থী। এই শিক্ষাৰ্থীৰ সংখ্যা বৰ্তমান ৩১, ৬০০লৈ বৃদ্ধি পাইছে।

# দুৰ্গা সৰোবৰত অগপৰ

বিধান পৰিষদৰ উদ্যোগত দুৰ্গা সৰোবৰ কামাখ্যা গেটত পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ উপস্থিতিত বৃহৎ যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। মধ্য গুৱাহাটী বিধান পৰিষদৰ সমিতিৰ সভাপতি হেমেন ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উদেশ্য ব্যাখ্যা কৰে সম্পাদক ভুপেন ঠাকুৰীয়াই। বিভিন্ন দল-সংগঠনৰ লগতে কংগ্ৰেছ দলৰ নেতাকে ধৰি ৫ শতাধিক লোকে অগপত যোগদান কৰে। মধ্য সম্পাদক ক্ৰমে ভুপেন ঠাকুৰীয়া, ময়নুল হক চৌধুৰী, ১৩নং ৱাৰ্ডৰ সভাপতি জ্যোতি পাঠক, ১৩নং ৱাৰ্ডৰ পাৰিষদ তথা অসম মহিলা পাৰিষদৰ সভানেত্ৰী পূৰবী তালুকদাৰ, ১২নং বাৰ্ডৰ পাৰিষদ দীপাংকৰ বৈশ্য, অসম যুৱ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সুশান্ত দেৱ চৌধুৰী, মধ্য গুৱাহাটী মহিলা পৰিষদৰ সভানেত্ৰী গীতা ৰাণী কলিতা, সম্পাদিকা গীতা নেওগ, কমলা প্ৰধান, বলেন কলিতা, ইন্দ্ৰজিৎ গোস্বামী, মৃদুল কলিতা, মুকুট কলিতা, ৰতন নাথ, ভাৰ্গৰ শৰ্মা, গোপী বড়ো, জাভেদ আলী, শেখৰ সিং, বলোৰাম মহন্ত, ভবেন দাস, ৰাজেশ চক্ৰৱৰ্তী, জ্যেষ্ঠ অগপ নেতা লক্ষ্মী দাসকে ধৰি অগপ দলৰ বিভিন্ন পৰ্যায়ৰ বিষয়ববীয়াসকল এই সভাত উপস্থিত থাকে ।

# কলাক্ষেত্ৰ ৰামধেনু উৎসৱ

কৰি তোলে। কৃষ্ণাক্ষী কাশ্যপে আঁত ধৰা অনুষ্ঠানটিৰ আৰম্ভণিতে শ্ৰী শ্ৰী মাধৱদেৱ কলাক্ষেত্ৰ, নাৰায়ণপুৰৰ ফালৰপৰা পৰিৱেশিত চিত্তাকৰ্ষক গায়ন-বায়নে দৰ্শকসকলক মুগ্ধ কৰে। ইয়াৰ পূৰ্বে অনুষ্ঠানটি উদ্বোধন কৰি অকাডেমী ৰত্ন তথা পদ্মভূষণ সন্মানেৰে বিভূষিত নৃত্যাচাৰ্য যতীন গোস্বামীয়ে কলাক্ষেত্ৰৰ ধ্ৰুপদী প্ৰয়াসৰ শলাগ লয়। সন্মানীয় অতিথিৰূপে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে বিশিষ্ট নাট্য ব্যক্তিত্ব দুলাল ৰয়, অসমৰ সাংস্কৃতিক পৰিক্ৰমাৰ অতিৰিক্ত মুখ্য সচিব বি. কল্যাণ চক্ৰৱৰ্তী, সাংস্কৃতিক পৰিক্ৰমাৰ সঞ্চালক ৰাহুল চন্দ্ৰ দাস আৰু সংগীত নাটক অকাডেমীৰ সচিব ৰাজু দাস। আনহাতে, আজি কলাক্ষেত্ৰ চৌহদত পুতলা নাচ কাৰ্যসূচী পৰিৱেশন কৰে নলবাৰী- গন্ধিয়াৰ "বাসুদেৱ পুতলা নাচ দল" আৰু গুৱাহাটীৰ "অৰ্ণৱ পুতলা থিয়েটাৰে"। দিনৰ ১ বজাৰপৰাও পুতলা নাচ প্ৰদৰ্শিত হ'ব। উল্লেখযোগ্য যে "কলাক্ষেত্ৰ ৰামধেনু উৎসৱ-২০২৬"ৰ অন্তিম দিনটোত শ্ৰী শ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব "ৰৰ অসম" শীৰ্ষক বৰ্ণময় সাংস্কৃতিক কাৰ্যসূচী। অসমৰ নৃগোষ্ঠীয় সমন্বয় আৰু বিনিময় অভিযানৰ সেই অভিনৱ কাৰ্যসূচীত অসমৰ বৈচিত্ৰ্য পূৰ্ণ জনগোষ্ঠীয় সংস্কৃতিৰ মূৰ্ত প্ৰতিফলন ঘটিব।

# গুৱাহাটীত দুৰ্ঘটনাগ্ৰস্ত

আঘাতপ্ৰাপ্ত হয়। পিছত ঘটনাস্থলীত গীতানগৰ আৰক্ষী উপস্থিত হৈ আঘাতপ্ৰাপ্ত বাইক আৰোহীজনক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। ইপিনে আশিস বিদ্যাৰ্থীসহ পত্নী বৰুৱাক গুৱাহাটী এপল হাস্পতালত চিকিৎসাধীন হৈ আছে যদিও দুয়ো সংকটমুক্ত বুলি জানিব পৰা গৈছে।

# ভেনিজুৱেলাত আমেৰিকাৰ

ভেনিজুৱেলাত তীব্ৰ আতংকৰ সৃষ্টি হোৱাৰ সময়তে মাৰ্কিন স্পেচিয়েল ফ'ৰ্চে পত্নীসহ বন্দী কৰি নিয়ে ৰাষ্ট্ৰপতি নিকোলাছ মাদুৰোক। মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে এই কথা নিশ্চিত কৰে। লক্ষণীয়ভাৱে প্ৰথমাৱস্থাত আক্ৰমণৰ আঁৰত কোন দেশ বা শক্তি জড়িত আছে সেয়া স্পষ্ট হোৱা নাছিল। সম্ভাব্য মাৰ্কিন আক্ৰমণক লৈ সৰ্বত্ৰ চৰ্চিত হোৱাৰ মাজতে শনিবাৰে দিনৰ ভাগত সামাজিক মাধ্যমত মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে এটা পোষ্ট দিয়ে। য'ত ট্ৰাম্পে লিখিছে- 'ভেনিজুৱেলা আৰু দেশখনৰ নেতা ৰাষ্ট্ৰপতি নিকোলাছ মাদুৰোৰ বিৰুদ্ধে আমেৰিকাই চলোৱা এক বৃহৎ অভিযান সফল হৈছে। ৰাষ্ট্ৰপতি, নিকোলাছ মাদুৰো আৰু তেওঁৰ পত্নীক বন্দী কৰি দেশান্তৰিত কৰা হৈছে। আমেৰিকাৰ এই আক্ৰমণক ভেনিজুৱেলা চৰকাৰে তীব্ৰ নিন্দা কৰিছে। ভেনিজুৱেলা চৰকাৰে শনিবাৰে এক বিবৃতি প্ৰকাশ কৰি ভেনিজুৱেলাৰ ভূখণ্ডত এয়া আমেৰিকাৰ সামৰিক আগ্ৰাসন বুলি অভিহিত কৰিছে ।ৱাশ্বিংটনে ৰাষ্ট্ৰসংঘৰ চনদ উলংঘা কৰাৰ লগতে আঞ্চলিক শান্তি আৰু স্থিতিশীলতাৰ প্ৰতি ভাবুকি কঢ়িয়াই অনাৰ অভিযোগ উত্থাপন কৰে। এইক্ষেত্ৰত ইৰান আৰু কিউবাৰ দৰে দেশে ভেনিজুৱেলাৰ পক্ষত থিয় দিছে। দুয়োখন দেশে মাৰ্কিন আক্ৰমণক তীব্ৰ গৰিহণা দিয়ে। সম্প্ৰতি তীব্ৰ আতংকই ছানি ধৰা ভেনিজুৱেলাত জৰুৰী অৱস্থা জাৰি কৰা হৈছে। আমেৰিকা, দক্ষিণ কোৰিয়া, ব্ৰিটেইন আদি কেইবাখনো দেশে নিৰাপদ স্থানত অৱস্থান কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে ভেনিজুৱেলাত থকা তেওঁলোকৰ নাগৰিকসকলক। সেইদৰে আক্ৰমণকাৰী আমেৰিকাৰ বিমান পৰিবহণ সংস্থা ফেডাৰেল এভিয়েচন ২২ এডমিনিষ্ট্ৰেচন আপাততঃ ভেনিজুৱেলাৰ আকাশ সীমাত বাণিজ্যিক উৰণ বন্ধ ৰাখিছে। ভেনিজুৱেলাৰ বিৰুদ্ধে মাদকদ্ৰব্য সৰবৰাহৰ অভিযোগ তুলি সৰৱ হৈ পৰিছিল মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প। অকল অভিযোগ উত্থাপন কৰাই নহয়, কেৰিবিয়ান অঞ্চলত ব্যাপক হাৰত আমেৰিকাই সেনা মোতায়েন কৰিছে। সমান্তৰালভাৱে মাদকদ্ৰব্য সৰবৰাহত ব্যৱহাৰ হোৱাৰ সন্দেহ কৰি ভেনিজুৱেলাৰ নাওবোৰক লক্ষ্য কৰি লৈছিল মাৰ্কিন বাহিনীয়ে। সংঘাতে এনেকুৱা পৰ্যায় পায়গৈ যে যোৱা মাহত ভেনিজুৱেলা আৰু তাৰ আশে-পাশে থকা অঞ্চলৰ আকাশ সীমা বন্ধ কৰিবলৈ নিৰ্দেশ দিয়ে মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। লগতে ভেনিজুৱেলাৰ তেল পৰিবাহী টেংকাৰসমূহ চলাচলত সম্পূৰ্ণৰূপে নিষেধাজ্ঞা জাৰি কৰা হয়। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল যে ২০২৪ চনত ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱা নিকোলাছ মাদুৰোক আমেৰিকাই আজিলৈকে স্বীকৃতি দিয়া নাই। এই সন্দৰ্ভত ট্ৰাম্পে ইতিপূৰ্বে আগবঢ়োৱা ভাষ্য এনেধৰণৰ- ভেনিজুৱেলাৰ জনগণ দুৰ্দশাগ্ৰস্ত। তাত গণতন্ত্ৰক পুনৰ উদ্ধাৰ কৰিবই লাগিব। আপাতদৃষ্টিত গণতন্ত্ৰ আৰু মাদকদ্ৰব্যৰ বিৰুদ্ধে ইয়াক যুদ্ধ বুলি আমেৰিকাই দাবী কৰিলেও ইয়াৰ আঁৰত বিৰাট ৰাজনৈতিক কৌশল-তৈলভাণ্ডাৰ-খনিজ সম্পদৰ ওপৰত আগ্ৰাসন চলোৱাৰ গভীৰ ষড়যন্ত্ৰ থকাৰ সন্দেহ ব্যক্ত কৰিছে বিশেষজ্ঞ মহলে। উল্লেখ্য যে বিশ্বৰ বৃহত্তম তৈলভাণ্ডাৰ-খনিজ সম্পদৰ গৰাকী হ'ল ভেনিজুৱেলা। দক্ষিণ আমেৰিকাৰ দেশখনত প্ৰতিদিনে প্ৰায় ১০ লাখ বেৰেল তেল উৎপাদন হয়। ব্যাপক নিষেধাজ্ঞাৰ পিছতো তেল উৎপাদন দেশখনত চমকপ্ৰদ। ভেনিজুৱেলাৰ ভূ-গৰ্ভত মজুত আছে তিনি বিলিয়ন বেৰেল তেল। যি চৌদি আৰৱতকৈও যথেষ্ট বেছি।

# জুবিন গাৰ্গৰ সপোনৰ ঘৰ খাৰঘুলিৰ

ন্যাসৰ জৰিয়তে কৰি যাবলৈ চেষ্টা কৰিম। খাৰঘুলিৰ সম্পত্তিখিনি জুবিনৰ হেঁপাহৰ আছিল। তেওঁৰ সপোনৰ ঠাইখন তেওঁৰ নামত হ'বলগীয়া সমাজ-সংস্কৃতি আৰু উপাস্য প্ৰকৃতিৰ নামত ব্যৱহাৰ হোৱাটো আমি আশা কৰিছোঁ। এজন মানুহৰ বাবে মানুহ আছিল জুবিন গাৰ্গ। গতিকে খাৰঘুলিৰ ঘৰটো ন্যাসৰ নামত আমি পৰিয়ালৰ তৰফৰ পৰা উৎসৰ্গা কৰাৰ সিদ্ধান্ত লৈছোঁ। আমাৰ আশা- জুবিন গাৰ্গৰ সপোনৰ ঘৰটোৰ পৰাই তেওঁৰ আদৰ্শ আৰু দৰ্শনক জীয়াই ৰখাৰ বাবে কিছু ভাল কাম হৈ থাকক। তেওঁ পুনৰ কয়, জুবিন গাৰ্গে কৰি যোৱাৰ দৰেই এই ট্ৰাষ্টে 'কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন'ৰ যোগেদি বিভিন্ন সামাজিক-সাংস্কৃতিক দিশত কাম কৰি যাব । শিল্পীগৰাকীয়ে তেখেতৰ ভগ্নীৰ নামত প্ৰতিষ্ঠা কৰি থৈ যোৱা 'অভিনয়াঃ জংকী বৰঠাকুৰ পৰিৱেশ্য কলা কেন্দ্ৰ'ৰ যোগেদি নতুন প্ৰজন্মৰ বাবে বিভিন্ন সাংস্কৃতিক পদক্ষেপ আমি গ্ৰহণ কৰি যাম । তাৰ লগতে, জুবিন গাৰ্গৰ যিখিনি বৌদ্ধিক উত্তৰাধিকাৰ বা intellectual property, সেইবোৰৰ যথোপযুক্ত সংৰক্ষণৰ বাবে বিজ্ঞানসন্মত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। আন দিশ উত্থাপন কৰি তেওঁ উল্লেখ কৰে, "জুবিন গাৰ্গৰ জীৱন আৰু কৰ্ম, তেখেতৰ কৃতি-কৃতিত্ব আৰু সাংস্কৃতিক-সামাজিক অৱদান সম্পৰ্কে বিদ্যায়তনিক আৰু প্ৰণালীবদ্ধভাৱে চৰ্চা কৰাৰ উদ্দেশ্যেৰে এটি বিশেষ গৱেষণা গোট বা dedicated research wing গঠন কৰা হ'ব, যিয়ে নিয়মীয়াকৈ শিল্পীগৰাকীক লৈ বৌদ্ধিক অন্বেষণ কৰি যাব। গৰিমাই লগতে কয়, জুবিন গাৰ্গৰ স্কুলীয়া জীৱনৰ কেইবাগৰাকীও বন্ধু-বান্ধৱ, যি নিজ নিজ ক্ষেত্ৰত বিশেষভাৱে প্ৰতিষ্ঠিত। তেওঁলোকৰ লগতে ৰাজ্যখনৰ সামাজিক, সাংস্কৃতিক, প্ৰশাসনিক তথা সংবাদ জগতৰ বহুকেইগৰাকী অগ্ৰজ-অনুজ ভাতৃ-বন্ধুৰ সহযোগিতাৰে আমি এই পদক্ষেপ হাতত লৈছোঁ। জুবিন গাৰ্গে তেওঁৰ সেনাবাহিনী বুলি অভিহিত কৰা 'জুবিন ফেন ক্লাব' এই পৰিকল্পনাৰ সহযাত্ৰী হৈছে। সম্প্ৰতি শিল্পীগৰাকীৰ নামত বহুসংখ্যক গ্ৰন্থ ৰচনা হোৱা বিষয়টোত কিছু উদ্বেগ প্ৰকাশ কৰি প্ৰয়াত শিল্পীগৰাকীৰ খুৰাক মনোজ বৰঠাকুৰে কয় যে বহুসংখ্যক লোকে জুবিনৰ নামত বহু কিতাপ লিখিছে। প্ৰিয় শিল্পী হিচাপে ছপা আকাৰত তেওঁৰ কথা চৰ্চা সকলোৱে কৰিব। সেয়া আমি বাধা দিব নোৱাৰোঁ বা নিদিওঁ। কিন্তু জুবিন গাৰ্গ সম্পৰ্কীয় তথ্যসমূহ কোনোধৰণৰ বিকৃত নকৰাকৈ শুদ্ধ ৰূপত প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনাইছোঁ। পৰৱৰ্তী সময়ত জুবিন গাৰ্গ সম্পৰ্কীয় লেখা যুগুত কৰাৰ সময়ত ন্যাসৰ গৱেষণা গোটৰ সৈতে আলোচনা কৰিহে প্ৰণয়ন কৰিবলৈ তেওঁ আহ্বান জনায়। সংবাদ মেলত শেহতীয়াকৈ ৰাজ্য চৰকাৰে শিল্পীগৰাকীৰ অন্তিমখন ছবি 'ৰৈ ৰৈ বিনালে'ৰ পৰা লাভ কৰা ৰাজ্যিক কৰৰ ২ কাটি ৯০ লাখ টকা কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচনলৈ হস্তান্তৰ কৰাৰ বাবে লোৱা ব্যৱস্থাৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা জনাইছে গৰিমা শইকীয়া গাৰ্গে। তেওঁ কয় যে অসমৰ শিল্পীসকলৰ সামূহিক কল্যাণৰ বাবে গঠন হোৱা এক সংস্থা হৈছে কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ এই সিদ্ধান্তই শিল্পীসকলক সহায় কৰা সংকল্পক বাস্তৱায়িত কৰাত বহু সাহস আমাক দিছে। তদুপৰি জুবিন গাৰ্গৰ হত্যা সন্দৰ্ভত গোচৰটো খৰতকীয়া কৰিবলৈ বিশেষ চৰকাৰী অধিবক্তা নিয়োগ তথা বিশেষ আদালত গঠনৰ বাবে উচ্চতম ন্যায়ালয়ক চৰকাৰে আবেদন জনাব বুলি যি ঘোষণা কৰিছে তাৰ বাবেও মুখ্যমন্ত্ৰী ডঃ শৰ্মাক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছে গৰিমা শইকীয়া গাৰ্গে।

ENGLISH NEWS SECTION

# Governor inaugurates Skyway connecting Brahmaputra and Barak Wings of Lok Bhavan



Guwahati, RB News: Assam Governor, Shri Lakshman Prasad Acharya, inaugurated the 'Skyway' connecting the Brahmaputra and Barak Wings of Lok Bhavan, Assam, at Lok Bhavan. The inauguration ceremony was held in the presence of the First Lady of Assam, Smt. Kumud Devi. It may be noted that the project 'Skyway' has been built to connect two separate wings of the Lok Bhavan that fall far apart. A brief technical overview of the 'Skyway' project was presented by Executive Engineer, PWD (Building), Shri Arup Das. Speaking on the occasion, Governor Shri Acharya expressed his gratitude to Chief Minister Dr. Himanta Biswa Sarma for the initiative and support in strengthening infrastructural facilities at Lok Bhavan. He stated that the newly inaugurated facility 'Sky way' would significantly facilitate smooth movement and enhance functional efficiency for officials and staff working in the two wings of LokBhavan. Following the inauguration, New Year celebrations were organised with the Lok Bhavan Parivaar where child artistes were given the opportunity to showcase their talents in music and other aspects of culture. The Governor and the First Lady warmly exchanged New Year greetings with the family members of Lok Bhavan employees and extended their best wishes for a happy, healthy, and prosperous year ahead. Commissioner and Secretary to the Governor S.S. Meenakshi Sundaram along with officials of Raj Bhavan were present in the occasion.

# Sai Sudharsan suffers rib fracture



RB News: India batter Sai Sudharsan suffered a rib fracture during Tamil Nadu's match against Madhya Pradesh in the Vijay Hazare Trophy (VHT). Reports said the injury may take six to eight weeks to heal and he is unlikely to be fit for Tamil Nadu's remaining VHT games. Sudharsan is reportedly set to return for Gujarat Titans in IPL 2026.According to sources, Sudharsan reported to the Centre of Excellence in Bengaluru on December 29 and a scan revealed "a slender, undisplaced fracture of the anterior cortex of the right seventh rib."

# BCCI announces India's squad for ODI series against New Zealand




RB News: BCCI announced India's squad for the three-match ODI series against New Zealand, beginning January 11, with Shubman Gill named captain and Shreyas Iyer appointed vice-captain. Shreyas Iyer returns after a spleen injury from last year's Australia tour. Rishabh Pant retains his spot despite Ishan Kishan being named for the upcoming T20Is and T20 World Cup. Virat Kohli and Rohit Sharma are also included.

# Usman Khawaja announces retirement from international cricket



RB News: Australia opener Usman Khawaja on Friday announced his retirement from international cricket. Usman Khawaja said that the Ashes Test in Sydney will be his last international match. At 39, Khawaja made the decision to call time on his remarkable Test career, which began in 2011. The 39-year-old left-handed batter will enter his last Test with 87 Test caps and 6,206 runs, including 16 centuries. Khawaja revealed he had considered retirement at several stages in the last two years.

# South Africa announce squad for T20 World Cup 2026



RB News: South Africa announced their squad for T20 World Cup 2026. The squad will be led by Aiden Markram. The squad features David Miller, Quinton De Kock, Jason Smith, Donovan Ferreira, Kwena Maphaka, Kagiso Rabada and Lungi Ngidi. Tristan Stubbs, Reeza Hendricks, Gerald Coetzee, Ryan Rickelton and Tabraiz Shamsi have missed out.Pace spearhead Kagiso Rabada, returning from a rib injury after nearly ten weeks on the sidelines, will lead South Africa's attack.

# Afghanistan announce their squad for T20 World Cup 2026



RB News: Afghanistan have named their 15-man squad for T20 World Cup 2026. The squad will be led by Rashid Khan. Afghanistan's squad includes left-arm fast Dowler Fazalhaq Farooqi, off-spinner Mujeeb Ur Rahman, all-rounder Gulbadin Naib and right-arm fast bowler Naveen-ul-Haq. Afghanistan had made it to the semi-final of the last T20 World Cup in 2024.

# Australia announce squad for T20 World Cup 2026



RB News: Australia have announced a provisional 15-player squad for ICC Men's T20 World Cup 2026 in Sri Lanka and India. Cooper Connolly, Matthew Short, Matthew Kuhnemann and Xavier Bartlett have been included in the squad led by Mitchell Marsh. The squad also features senior players such as Pat Cummins, Glenn Maxwell, Marcus Stoinis and Josh Hazlewood.

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সফলতাৰ

চিটি প্ৰকল্পৰ জৰিয়তে চহৰখনৰ ৰূপ সলনি কৰাৰ চেষ্টা অব্যাহত ৰখা হৈছে। অৰ্থনৈতিক বিকাশ কেৱল অট্টালিকা বা পথত সীমাবদ্ধ নাথাকে, ই জনসাধাৰণৰ জীৱন স্পৰ্শ কৰিব লাগে। ড° শৰ্মাৰ আঁচনিসমূহে ইয়াকে প্ৰমাণ কৰিছেঃ

**অৰুণোদয় আঁচনিঃ** এই আঁচনিৰ জৰিয়তে ৰাজ্যৰ প্ৰায় ৩০ লাখ মহিলাৰ বেংক একাউণ্টলৈ মাহিলি ধন প্ৰেৰণ কৰা হয়। ই গ্ৰাম্য অৰ্থনীতিত ক্ৰয় ক্ষমতা বৃদ্ধি কৰিছে আৰু মহিলাসকলক আৰ্থিক মৰ্যাদা দিছে।

**শিক্ষা খণ্ডৰ বিপ্লৱঃ** প্ৰতিটো সমষ্টিত মডেল স্কুল স্থাপন, নতুন বিশ্ববিদ্যালয় নিৰ্মাণ আৰু মেধাৱী ছাত্ৰ-ছাত্ৰীক স্কুটি আৰু জলপানি প্ৰদানৰ জৰিয়তে ভৱিষ্যতৰ দক্ষ মানৱ সম্পদ গঢ়ি তোলা হৈছে।

**স্বাস্থ্য সেৱাৰ সম্প্ৰসাৰণঃ** প্ৰতিখন জিলাতে মেডিকেল কলেজ স্থাপনৰ যি সংকল্প চৰকাৰে লৈছে, তাৰ ফলত অসম আজি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ "হেলথ হাব" (Health Hub) হৈ পৰিছে। আয়ুষ্মান অসম আঁচনিয়ে দৰিদ্ৰ জনসাধাৰণক উন্নত চিকিৎসাৰ নিশ্চয়তা দিছে।

**কৃষি আৰু গ্ৰাম্য অৰ্থনীতিৰ সৰলীকৰণঃ** অসমৰ জনসংখ্যাৰ এক বৃহৎ অংশ কৃষিৰ ওপৰত নিৰ্ভৰশীল। মুখ্যমন্ত্ৰীৰ নিৰ্দেশত কৃষি বিভাগক অধিক সক্ৰিয় কৰি তোলা হৈছে। ধান ক্ৰয় কেন্দ্ৰ স্থাপন কৰি কৃষকক পঁন্যতম সমৰ্থন মূল্য (MSP) প্ৰদান কৰাৰ ফলত মধ্যভোগীৰ প্ৰভাৱ হ্ৰাস পাইছে। ইয়াৰ উপৰি মীন পালন, পশুপালন আৰু আত্মসহায়ক গোটসমূহক দিয়া উৎসাহে গ্ৰাম্য অৰ্থনীতিক স্বাৱলম্বী কৰি তুলিছে।

**প্ৰশাসনিক স্বচ্ছতা আৰু যুৱ প্ৰজন্মৰ আশাঃ** ড° হিমন্ত বিশ্ব শৰ্মাৰ আটাইতকৈ ডাঙৰ নৈতিক জয় হ'ল "১ লাখ চৰকাৰী চাকৰি"ৰ প্ৰতিশ্ৰুতি পূৰণ কৰা। কোনো দুৰ্নীতি নোহোৱাকৈ, কেৱল মেধাৰ ভিত্তিত যুৱক-যুৱতীসকলে চাকৰি পোৱাৰ ফলত সমাজত এক ধনাত্মক বাৰ্তা গৈছে। ইয়াৰ ফলত যুৱ প্ৰজন্মৰ মাজত কৰ্মসংস্কৃতি বৃদ্ধি পাইছে, যিয়ে পৰোক্ষভাৱে ৰাজ্যৰ জি.ডি.পি. বৃদ্ধিত অৰিহণা যোগাইছে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ তথ্যই স্বীকৃতি দিছে যে অসম আজি ভাৰতৰ অৰ্থনীতিৰ এক নতুন ইঞ্জিন। ৪৫ শতাংশৰ এই বিকাশ কেৱল আৰম্ভণিহে। ড° হিমন্ত বিশ্ব শৰ্মাৰ দৰে এজন কঠোৰ পৰিশ্ৰমী আৰু তীক্ষ্ণ বুদ্ধিৰ নেতাৰ হাতত অসমৰ ভৱিষ্যত সুৰক্ষিত। তেওঁৰ লক্ষ্য কেৱল ৰাজপথ নিৰ্মাণ কৰাই নহয়, বৰঞ্চ প্ৰতিজন অসমীয়াৰ বুকুত স্বাভিমান আৰু সমৃদ্ধিৰ বীজ ৰোপণ কৰা।

অসম আজি "বিকাশ", "বিশ্বাস" আৰু "প্ৰগতি"ৰ এক নতুন পৰিভাষাত পৰিণত হৈছে। আগন্তুক দিনবোৰত এই ধাৰা অব্যাহত থাকিলে, ২০৩০ চনৰ ভিতৰত অসম ভাৰতৰ সৰ্বশ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ ভিতৰত অন্যতম হ'ব বুলি থকা বিশ্বাস আজি দৃঢ়তৰ হৈ পৰিছে। এই জয়যাত্ৰা প্ৰতিগৰাকী অসমীয়াৰ জয়যাত্ৰা, আৰু ইয়াৰ মূল সাৰথি হ'ল আমাৰ সকলোৰে আদৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা।






ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ ঁমহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286